# আলোড়ন মঞ্চ

শিক্ষা - সাহিত্য - সংস্কৃতিৰ ঐক্যতান

স্থাপিত : ২০২১ চন

# সংবিধান

**প্ৰশাসনিক শাখা**

আলোড়ন মঞ্চ

# প্ৰতিজ্ঞা

## প্ৰস্তাৱনা

আমি, আলোড়ন মঞ্চৰ প্ৰত্যেক গৰাকী সদস্যই আলোড়ন মঞ্চৰ লক্ষ্য আৰু উদেশ্যক সাৰোগত কৰি অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰখনৰ সামগ্ৰিক দিশৰ বিকাশৰ যাত্ৰাপথৰ এগৰাকী সাৰথি হিচাপে সদায় আগুৱাই যোৱাত দৃঢ় প্ৰতিজ্ঞ। আমি জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোৱে সম অধিকাৰ আৰু কৰ্তব্যৰে নিজৰ কৰ্মত অগ্ৰসৰ হ'ম। অসমীয়া জাতি, ভাষা, সাহিত্য তথা সংস্কৃতিৰ স্বাভিমানত আঘাত আনিব পৰা যিকোনো কৰ্ম কৰাৰ পৰা বিৰত থাকিম। আমি সকলোৱে মঞ্চৰ সংবিধান খন মানি চলিম আৰু সমিলমিলেৰে এখন সৰ্বাংগসুন্দৰ অসম গঢ়াৰ ক্ষেত্ৰত নিষ্ঠা, সততা আৰু সাহসেৰে নিজৰ দায়িত্ব পালন কৰিম।

**জয় আই অসম**
**জয়তু আলোড়ন মঞ্চ**

- আজি ইংৰাজী ১৮ জুন, ২ আষাৰ ২০২৩ তাৰিখে আলোড়ন মঞ্চৰ দ্বিতীয় বাৰ্ষিক সমাৰোহত সকলো সদস্যৰ উপস্থিতিত মঞ্চৰ সংবিধানখন গৃহীত কৰা হয়।

- আজি ইংৰাজী ১ জুলাই, ২০২৩ তাৰিখে মঞ্চৰ সংবিধানখন আনুষ্ঠানিকভাৱে কাৰ্যকৰী কৰা হয়।

# বিষয়সূচী


| ধাৰা | অনুচ্ছেদ | পৃষ্ঠা |
| --- | --- | --- |
| • ১ নং ধাৰা : গঠন আৰু নামাকৰণ | • অনুচ্ছেদ নং ১ : গঠন<br>• অনুচ্ছেদ নং ২ : নামাকৰণ | ০১<br>০১ |
| • ২ নং ধাৰা : লক্ষ্য আৰু উদ্দেশ্য | • অনুচ্ছেদ নং ১ : লক্ষ্য<br>• অনুচ্ছেদ নং ২ : উদ্দেশ্য | ০১<br>০১ |
| • ৩ নং ধাৰা : প্ৰশাসনিক শাখা | • অনুচ্ছেদ নং ১ : পৰিচালনা সমিতি<br>• অনুচ্ছেদ নং ২ : কাৰ্যনিৰ্বাহক<br>• অনুচ্ছেদ নং ৩ : উপদেষ্টা মণ্ডলী তথা সাধাৰণ পৰিষদ | ০১<br>০১ - ০২<br>০২ |
| • ৪ নং ধাৰা : সাহিত্য কোষ | • অনুচ্ছেদ নং ১ : বিৱৰণ<br>• অনুচ্ছেদ নং ২ : উদ্দেশ্য<br>• অনুচ্ছেদ নং ৩ : নিয়মাৱলী আৰু দ্বায়িত্ব<br>• অনুচ্ছেদ নং ৪ : কাৰ্যক্ৰমণিকা | ০২<br>০২<br>০২<br>০২ |
| • ৫ নং ধাৰা : সাংস্কৃতিক কোষ | • অনুচ্ছেদ নং ১ : বিৱৰণ<br>• অনুচ্ছেদ নং ২ : উদ্দেশ্য<br>• অনুচ্ছেদ নং ৩ : নিয়মাৱলী আৰু দ্বায়িত্ব<br>• অনুচ্ছেদ নং ৪ : কাৰ্যক্ৰমণিকা | ০২<br>০২<br>০৩<br>০৩ |
| • ৬ নং ধাৰা : শিক্ষা কোষ | • অনুচ্ছেদ নং ১ : বিৱৰণ<br>• অনুচ্ছেদ নং ২ : উদ্দেশ্য<br>• অনুচ্ছেদ নং ৩ : নিয়মাৱলী আৰু দ্বায়িত্ব<br>• অনুচ্ছেদ নং ৪ : কাৰ্যক্ৰমণিকা | ০৩<br>০৩<br>০৩<br>০৩ |
| • ৭ নং ধাৰা : বিত্ত কোষ | • অনুচ্ছেদ নং ১ : বিৱৰণ<br>• অনুচ্ছেদ নং ২ : উদ্দেশ্য<br>• অনুচ্ছেদ নং ৩ : নিয়মাৱলী আৰু দ্বায়িত্ব<br>• অনুচ্ছেদ নং ৪ : কাৰ্যক্ৰমণিকা | ০৪<br>০৪<br>০৪<br>০৪ |
| • ৮ নং ধাৰা : তথ্য আৰু প্ৰচাৰ কোষ | • অনুচ্ছেদ নং ১ : বিৱৰণ<br>• অনুচ্ছেদ নং ২ : উদ্দেশ্য<br>• অনুচ্ছেদ নং ৩ : নিয়মাৱলী আৰু দ্বায়িত্ব<br>• অনুচ্ছেদ নং ৪ : কাৰ্যক্ৰমণিকা | ০৪<br>০৪<br>০৪<br>০৫ |
| • ৯ নং ধাৰা : সামাজিক দায়বদ্ধতা | | ০৫ |
| • ১০ নং ধাৰা : বাৰ্ষিক সমাৰোহ | | ০৫ |
| • ১১ নং ধাৰা : সদস্য অন্তৰ্ভুক্তিৰ চৰ্তসমূহ | • অনুচ্ছেদ নং ১ : সাধাৰণ সদস্য অন্তৰ্ভুক্তিৰ চৰ্তসমূহ<br>• অনুচ্ছেদ নং ২ : সাধাৰণ পৰিষদত সদস্য অন্তৰ্ভুক্তিৰ চৰ্তসমূহ<br>• অনুচ্ছেদ নং  ৩ : কাৰ্যনিৰ্বাহকত সদস্য অন্তৰ্ভুক্তিৰ চৰ্তসমূহ<br>• অনুচ্ছেদ নং ৪ : উপদেষ্টা মণ্ডলীত সদস্য অন্তৰ্ভুক্তিৰ চৰ্তসমূহ<br>• অনুচ্ছেদ নং ৫ : পৰিচালনা সমিতিত সদস্য অন্তৰ্ভুক্তিৰ চৰ্তসমূহ | ০৫<br>০৬<br>০৬<br>০৬<br>০৬ |
| • ১২ নং ধাৰা : সদস্য অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া | • অনুচ্ছেদ নং ১ : সাধাৰণ সদস্য অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া<br>• অনুচ্ছেদ নং ২ : সাধাৰণ পৰিষদত সদস্য অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া<br>• অনুচ্ছেদ নং  ৩ : কাৰ্যনিৰ্বাহকত সদস্য অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া<br>• অনুচ্ছেদ নং ৪ : উপদেষ্টা মণ্ডলীত সদস্য অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া<br>• অনুচ্ছেদ নং ৫ : পৰিচালনা সমিতিত সদস্য অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া | ০৬<br>০৭<br>০৭<br>০৭<br>০৭ |
| • ১৩ নং ধাৰা : প্ৰাক্তন সদস্যৰ চৰ্তসমূহ | • অনুচ্ছেদ নং ১ : সাধাৰণ পৰিষদৰ প্ৰাক্তন সদস্যৰ চৰ্তসমূহ<br>• অনুচ্ছেদ নং ২ : কাৰ্যনিৰ্বাহকৰ প্ৰাক্তন সদস্যৰ চৰ্তসমূহ<br>• অনুচ্ছেদ নং ৩ : পৰিচালনা সমিতিৰ প্ৰাক্তন সদস্যৰ চৰ্তসমূহ | ০৭<br>০৮<br>০৮ |

# বিষয়সূচী


| ধাৰা | অনুচ্ছেদ | পৃষ্ঠা |
|---|---|---|
| • ১৪ নং ধাৰা : যৌথ সহযোগিতাৰ চৰ্তসমূহ | • অনুচ্ছেদ নং ১ : মঞ্চৰ কোষসমূহৰ মাজত যৌথ সহযোগিতাৰ চৰ্তসমূহ<br>• অনুচ্ছেদ নং ২ : মঞ্চৰ লগত অন্যান্য সংঘ/ সংস্থাৰ যৌথ সহযোগিতাৰ চৰ্তসমূহ | ০৮<br>০৮ |
| • ১৫ নং ধাৰা : আলোচনা চক্ৰলৈ আহ্বান | | ০৮ |
| • ১৬ নং ধাৰা : কাৰ্যনিৰ্বাহকৰ আহ্বান | | ০৯ |
| • ১৭ নং ধাৰা : কাৰ্যনিৰ্বাহকৰ সালসলনি | | ০৯ |
| • ১৮ নং ধাৰা : কাৰ্যনিৰ্বাহকৰ কাৰ্যকাল | | ০৯ |
| • ১৯ নং ধাৰা : পৰিচালনা সমিতিৰ গঠনৰ সমীকৰণ | | ১০ |
| • ২০ নং ধাৰা : উপদেষ্টা মণ্ডলীৰ গঠনৰ সমীকৰণ | | ১০ |
| • ২১ নং ধাৰা : কাৰ্যনিৰ্বাহকৰ গঠনৰ সমীকৰণ | • অনুচ্ছেদ নং ১ : মুখ্য উপদেষ্টা<br>• অনুচ্ছেদ নং ২ : পূৰ্ণাংগ কাৰ্যনিৰ্বাহক<br>• অনুচ্ছেদ নং ৩ : কাৰ্যনিৰ্বাহকৰ মূলৰ সদস্য | ১০<br>১১<br>১১ - ১২ |
| • ২২ নং ধাৰা : সাধাৰণ পৰিষদৰ গঠনৰ সমীকৰণ | | ১২ |
| • ২৩ নং ধাৰা : কাৰ্যনিৰ্বাহকৰ পদৰ চৰ্তসমূহ | • অনুচ্ছেদ নং ১ : সভাপতি<br>• অনুচ্ছেদ নং ২ : সাধাৰণ সম্পাদক<br>• অনুচ্ছেদ নং ৩ : উপ - সভাপতি<br>• অনুচ্ছেদ নং ৪ : সহকাৰী সাধাৰণ সম্পাদক<br>• অনুচ্ছেদ নং ৫ : সাহিত্য সম্পাদক<br>• অনুচ্ছেদ নং ৬ : সাংস্কৃতিক সম্পাদক<br>• অনুচ্ছেদ নং ৭ : শিক্ষা সম্পাদক<br>• অনুচ্ছেদ নং ৮ : বিত্ত সম্পাদক<br>• অনুচ্ছেদ নং ৯ : তথ্য আৰু প্ৰচাৰ সম্পাদক<br>• অনুচ্ছেদ নং ১০ : সাহিত্য কোষৰ সদস্য পদৰ চৰ্তসমূহ<br>• অনুচ্ছেদ নং ১১ : সাংস্কৃতিক কোষৰ সদস্য পদৰ চৰ্তসমূহ<br>• অনুচ্ছেদ নং ১২ : শিক্ষা কোষৰ সদস্য পদৰ চৰ্তসমূহ<br>• অনুচ্ছেদ নং ১৩ : বিত্ত কোষৰ সদস্য পদৰ চৰ্তসমূহ<br>• অনুচ্ছেদ নং ১৪ : তথ্য আৰু প্ৰচাৰ কোষৰ সদস্য পদৰ চৰ্তসমূহ | ১২<br>১২<br>১২<br>১৩<br>১৩<br>১৩<br>১৩<br>১৩<br>১৩<br>১৪<br>১৪<br>১৪<br>১৪<br>১৪ |
| • ২৪ নং ধাৰা : পৰিচালনা সমিতিৰ পদৰ চৰ্তসমূহ | • অনুচ্ছেদ নং ১ : পৰিচালনা সমিতিৰ অধ্যক্ষ পদৰ চৰ্তসমূহ<br>• অনুচ্ছেদ নং ২ : পৰিচালনা সমিতিৰ সদস্য পদৰ চৰ্তসমূহ | ১৫<br>১৫ |
| • ২৫ নং ধাৰা : ক্ষমতা | • অনুচ্ছেদ নং ১ : পৰিচালনা সমিতিৰ ক্ষমতা<br>• অনুচ্ছেদ নং ২ : উপদেষ্টা মণ্ডলীৰ ক্ষমতা<br>• অনুচ্ছেদ নং ৩ : কাৰ্যনিৰ্বাহকৰ ক্ষমতা<br>• অনুচ্ছেদ নং ৪ : সাধাৰণ পৰিষদৰ ক্ষমতা | ১৫<br>১৫<br>১৫<br>১৬ |
| • ২৬ নং ধাৰা : পৰিচালনা সমিতিৰ পদসমূহৰ ক্ষমতা | • অনুচ্ছেদ নং ১ : অধ্যক্ষ গৰাকীৰ ক্ষমতা<br>• অনুচ্ছেদ নং ২ : পৰিচালনা সমিতিৰ সদস্যসকলৰ ক্ষমতা | ১৬<br>১৬ |

# বিষয়সূচী


| ধাৰা | অনুচ্ছেদ | পৃষ্ঠা |
|---|---|---|
| • ২৭ নং ধাৰা : কাৰ্যনিৰ্বাহকৰ পদসমূহৰ ক্ষমতা | • অনুচ্ছেদ নং ১ : মুখ্য উপদেষ্টা<br>• অনুচ্ছেদ নং ২ : সভাপতি<br>• অনুচ্ছেদ নং ৩ : সাধাৰণ সম্পাদক<br>• অনুচ্ছেদ নং ৪ : উপ - সভাপতি<br>• অনুচ্ছেদ নং ৫ : সহকাৰী সাধাৰণ সম্পাদক<br>• অনুচ্ছেদ নং ৬ : কোষৰ সম্পাদকসকল<br>• অনুচ্ছেদ নং ৭ : কাৰ্যনিৰ্বাহকৰ কোষৰ সদস্যসকল<br>• অনুচ্ছেদ নং ৮ : কাৰ্যনিৰ্বাহকৰ মূলৰ সদস্যসকল | ১৬<br>১৬<br>১৬<br>১৭<br>১৭<br>১৭<br>১৭<br>১৭ |
| • ২৮ নং ধাৰা : সদস্য পদ বাতিলৰ চৰ্তসমূহ | • অনুচ্ছেদ নং ১ : পৰিচালনা সমিতিৰ সদস্য পদ বাতিলৰ চৰ্তসমূহ<br>• অনুচ্ছেদ নং ২ : কাৰ্যনিৰ্বাহকৰ সদস্য পদ বাতিলৰ চৰ্তসমূহ<br>• অনুচ্ছেদ নং ৩ : উপদেষ্টা মণ্ডলীৰ সদস্য পদ বাতিলৰ চৰ্তসমূহ<br>• অনুচ্ছেদ নং ৪ : সাধাৰণ পৰিষদৰ সদস্য পদ বাতিলৰ চৰ্তসমূহ<br>• অনুচ্ছেদ নং ৫ : সাধাৰণ সদস্য পদ বাতিলৰ চৰ্তসমূহ | ১৭<br>১৮<br>১৮<br>১৮<br>১৮ |
| • ২৯ নং ধাৰা : সদস্য পদ বাতিলৰ প্ৰক্ৰিয় | • অনুচ্ছেদ নং ১ : পৰিচালনা সমিতিৰ সদস্য পদ বাতিলৰ প্ৰক্ৰিয়া<br>• অনুচ্ছেদ নং ২ : কাৰ্যনিৰ্বাহকৰ সদস্য পদ বাতিলৰ প্ৰক্ৰিয়া<br>• অনুচ্ছেদ নং ৩ : উপদেষ্টা মণ্ডলীৰ সদস্য পদ বাতিলৰ প্ৰক্ৰিয়া<br>• অনুচ্ছেদ নং ৪ : সাধাৰণ পৰিষদৰ সদস্য পদ বাতিলৰ প্ৰক্ৰিয়া<br>• অনুচ্ছেদ নং ৫ : সাধাৰণ সদস্য পদ বাতিলৰ প্ৰক্ৰিয়া | ১৮<br>১৯<br>১৯<br>১৯<br>১৯ |
| • ৩০ নং ধাৰা : সদস্য পদৰ পৰা অব্যাহতি লোৱাৰ চৰ্তসমূহ | • অনুচ্ছেদ নং ১ : পৰিচালনা সমিতিৰ সদস্য পদৰ পৰা অব্যাহতি<br>• অনুচ্ছেদ নং ২ : কাৰ্যনিৰ্বাহকৰ সদস্য পদৰ পৰা অব্যাহতি<br>• অনুচ্ছেদ নং ৩ : উপদেষ্টা মণ্ডলীৰ সদস্য পদৰ পৰা অব্যাহতি<br>• অনুচ্ছেদ নং ৪ : সাধাৰণ পৰিষদৰ সদস্য পদৰ পৰা অব্যাহতি<br>• অনুচ্ছেদ নং ৫ : সাধাৰণ সদস্য পদৰ পৰা অব্যাহতি | ১৯<br>১৯ - ২০<br>২০<br>২০<br>২০ |
| • ৩১ নং ধাৰা : বিত্তীয় অধিনিয়ম | | ২০ - ২১ |
| • ৩২ নং ধাৰা : সংবিধান সংশোধন | | ২১ |

## ১ নং ধাৰা : গঠন আৰু নামাকৰণ

### অনুচ্ছেদ নং ১ : গঠন

শিক্ষা-সাহিত্য-সংস্কৃতি অবিহনে সমাজ অসাৰ, তাৰোপৰি সমাজৰ মূল চালিকাশক্তি ৰূপ নৱপ্রজন্মৰ শিক্ষা-সাহিত্য-সংস্কৃতিৰ প্রতি থকা আসক্তিখিনি বহির্জগতক পৰিচয় কৰাই সমাজখনক সর্বাংগসুন্দৰ কৰি তুলাৰ উদ্দেশ্যে ২০২১ চনৰ ২৩ মে' তাৰিখে নগাঁও জিলাৰ ৰাইডভীয়া বাসী অংশুমান শইকীয়াদেৱে 'আলোড়ন মঞ্চ'ৰ লাঁইখুটা স্থাপন কৰে।

### অনুচ্ছেদ নং ২ : নামাকৰণ

২০২১ বৰ্ষৰ কৰুণা মহামাৰীৰ কালান্তক সময়ত ম্ৰিয়মান হৈ পৰা সমাজত ৱাটচ্এপৰ এটি গ্রুপ হিচাপে মঞ্চখনৰ আৰম্ভ হৈছিল, যাৰ প্রাৰম্ভিক নাম আছিল সাহিত্য অনুৰাগী। পিছলৈ গোলাঘাটৰ বাসিন্দা শ্ৰদ্ধাস্পদ মৌচুমী গগৈ বাইদেৱে গ্রুপটিক ২০২১ চনৰ ২৬ মে' তাৰিখে 'আলোড়ন মঞ্চ' নামেৰে অলংকৃত কৰে।

## ২ নং ধাৰা : লক্ষ্য আৰু উদ্দেশ্য

### অনুচ্ছেদ নং ১ : লক্ষ্য

মঞ্চখনৰ জন্মলগ্নৰ তাৎপৰ্যমূলক উদ্দেশ্য সমূহৰ ভিত্তি অনুযায়ী মঞ্চৰ লক্ষ্য হ'ল "অসমীয়া শিক্ষা-সাহিত্য-সংস্কৃতিৰ বসুন্ধৰা খন অধিক সক্ৰিয় আৰু সুচল কৰি তোলাৰ লগতে নৱাগতৰ সুপ্ত প্রতিভাৰ প্রস্ফুটিত কৰোৱাই বিকশিত কৰি তোলা।"

### অনুচ্ছেদ নং ২ : উদ্দেশ্য

"শিক্ষা-সাহিত্য-সংস্কৃতিৰ ঐক্যতান" - এয়ে হ'ব আলোড়ন মঞ্চৰ মূল মন্ত্ৰ আৰু এই ঐতিহাসিক অসমীয়া জাতিটোক আগুৱাই নিয়াত চালিকাশক্তিক আৰু অলপ শক্তিশালী কৰি তোলাত সৰ্বাতোপ্ৰকাৰে অৰিহণা যোগাই ভৱিষ্যতৰ পথটো আৰু অধিক সুগম কৰি তোলাই হৈছে মঞ্চখনৰ প্ৰধান উদ্দেশ্য।

## ৩ নং ধাৰা : প্ৰশাসনিক শাখা

### অনুচ্ছেদ নং ১ : পৰিচালনা সমিতি

মঞ্চখনৰ আভ্যন্তৰীণ বিষয়সমূহৰ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ পৰিচালনা সমিতিখন গঠন কৰা হৈছে। পৰিচালনা সমিতিখনেই হৈছে মঞ্চখনৰ গুৰি ধৰোতা তথা অভিভাৱক স্বৰূপ।

### অনুচ্ছেদ নং ২ : কাৰ্যনিৰ্বাহক

মঞ্চখনৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ সুবিধা হোৱাৰ উদ্দেশ্যে কাৰ্যনিৰ্বাহক অৰ্থাৎ কাৰ্যকৰী সমিতিখনত পাঁচটা কোষৰ সৃষ্টি কৰা হৈছে -

প্ৰাথমিক কোষ :

(ক) সাহিত্য কোষ (খ) সাংস্কৃতিক কোষ (গ) শিক্ষা কোষ

সহায়ক কোষ :

(ঘ) বিত্ত কোষ (ঙ) তথ্য আৰু প্ৰচাৰ কোষ

উক্ত কোষসমূহে তেওঁলোকৰ নিজৰ নিজৰ বিভাগৰ দ্বায়িত্ব অনুযায়ী কাম কৰি মঞ্চখনক নিজৰ উদ্দেশ্য আৰু লক্ষ্যত উপনীত হোৱাত সহায় কৰি আহিছে।

## অনুচ্ছেদ নং ৩ : উপদেষ্টা মণ্ডলী তথা সাধাৰণ পৰিষদ

মঞ্চখনৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত কাৰ্যনিৰ্বাহকৰ সহায়ক হিচাপে মঞ্চৰ এখন উপদেষ্টা মণ্ডলী আৰু এখন সাধাৰণ পৰিষদ গঠন কৰা হৈছে।

# ৪ নং ধাৰা : সাহিত্য কোষ

## অনুচ্ছেদ নং ১ : বিৱৰণ

সাহিত্য কোষ হৈছে আলোড়ন মঞ্চৰ প্ৰধান আস্বাৰণ। এই বিভাগে সৃষ্টিৰ সময়ৰে পৰা সুচাৰুৰূপে বিভাগীয় কামবোৰ সম্পাদনা কৰি আহিছে লগতে ভৱিষ্যতেও কৰি যাবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

## অনুচ্ছেদ নং ২ : উদ্দেশ্য

সাহিত্য কোষৰ মূল উদ্দেশ্য হ'ল "সুপ্ত সাহিত্য প্ৰতিভাৰ বিচাৰ আৰু ইয়াৰ প্ৰসাৰৰ লগতে উদগনিমূলক প্ৰচাৰ কৰা", মূল বাণী-"জয় আই অসমী,জয় ভাষা জননী"।

## অনুচ্ছেদ নং ৩ : নিয়মাৱলী আৰু দায়িত্ব

১. তথ্যমূলক ও বাৰ্তাবাহক গল্প-প্ৰবন্ধ , কল্পবিজ্ঞান , ইতিহাস আদিৰ দৰে সাহিত্যৰ দিশত নৱমল্লিকা নৱাগতসকলৰ মাজত শুদ্ধ ৰূপত প্ৰতিযোগিতামূলক মনোভাৱৰ সৃষ্টি কৰাই সামাজিক বৌদ্ধিক বিকাশ কৰোৱাটোৱেই হ'ল ইয়াৰ মূল দায়িত্ব।
২. মঞ্চৰ কোনো সদস্যৰ সাহিত্যৰ দিশত থকা আসোঁৱাহ তথা ত্ৰুটি নিৰ্মূল কৰোৱাই অনুৰাগীৰ মাজত সাহিত্যৰ ঢৌ সৃষ্টি কৰি ইয়াক সংখ্যাগৰিষ্ঠ কৰি মঞ্চখনক বহিৰ্জগতৰ লগত সংলগ্ন কৰোৱা।

## অনুচ্ছেদ নং ৪ : কাৰ্যক্ৰমণিকা

ওপৰত উল্লেখিত উদ্দেশ্য, নিয়মাৱলী আৰু দায়িত্ব সমূহৰ ওপৰত ভিত্তি কৰি সাহিত্য কোষে জন্মলগ্নৰে পৰা অহোপুৰুষাৰ্থৰে নানানটা প্ৰতিযোগিতাৰ লগতে সাহিত্য সপ্তাহৰ দৰে অনুষ্ঠানৰ আয়োজন কৰি অসমীয়া সাহিত্যৰ জগতখনলৈ কিঞ্চিৎ অনুদান আগবঢ়াই আহিছে।

# ৫ নং ধাৰা : সাংস্কৃতিক কোষ

## অনুচ্ছেদ নং ১ : বিৱৰণ

আলোড়ন মঞ্চৰ এই গুৰুত্বপূৰ্ণ কোষটোৱে মঞ্চৰ ধৰাখনৰ অমৰদীপ হিচাপে দায়িত্বভাৰ গ্ৰহণৰ লগতে পালন কৰি বৰ্বৰ প্ৰকৃতিৰ পৰা সমাজক দৈৱিক প্ৰকৃতি প্ৰদানৰ অহৰহ প্ৰচেষ্টা কৰি আহিছে।

## অনুচ্ছেদ নং ২ : উদ্দেশ্য

সাংস্কৃতিক কোষৰ মূল উদ্দেশ্য হ'ল "সাহিত্য আৰু সংস্কৃতিৰ অমৃতমধুৰ ৰঞ্জন সমাজৰ কেওঁফালে প্ৰসাৰিত কৰাৰ লগতে বৃহত্তৰ অসমৰ বিভিন্ন জনগোষ্ঠীয় সংস্কৃতিবোৰ জনসাধাৰণৰ দৃষ্টিগোচৰ কৰোৱা।"

## অনুচ্ছেদ নং ৩ : নিয়মাৱলী আৰু দায়িত্ব

১. বিভিন্ন সাংস্কৃতিক দিশবোৰ যেনে গীত-মাত, নৃত্য, লোকসংগীত , চিত্ৰকলা আদি দিশসমূহ প্ৰতিযোগিতামূলক মনোভাৱৰ দ্বাৰা জনসাধাৰণৰ মাজত প্ৰচাৰ কৰা।
২. অধুনালুপ্ত থলুৱা সংস্কৃতিবোৰ পুনৰুদ্ধাৰ কৰাত আগ্ৰহ প্ৰকাশ কৰাৰ লগতে মঞ্চৰ সদস্যৰ আৰু জনসাধাৰণৰ সাংস্কৃতিক দিশৰ সমস্যাসমূহৰ সমাধানত সহায় কৰা।

## অনুচ্ছেদ নং ৪ : কাৰ্যক্ৰমণিকা

ওপৰত উল্লেখিত উদ্দেশ্য, নিয়মাৱলী আৰু দ্বায়িত্ব সমূহৰ ওপৰত ভিত্তি কৰি সাংস্কৃতিক কোষে মঞ্চৰ জন্মলগ্নৰে পৰা অহোপুৰুষাৰ্থৰে বিভিন্ন প্ৰতিযোগিতাৰ লগতে সাংস্কৃতিক সমাৰোহৰ দৰে অনুষ্ঠানৰ আয়োজন কৰি অসমীয়া সংস্কৃতিৰ জগতখনলৈ কিঞ্চিৎ অনুদান আগবঢ়াই আহিছে।

# ৬ নং ধাৰা : শিক্ষা কোষ

## অনুচ্ছেদ নং ১ : বিৱৰণ

শিক্ষা হ'ল সমাজৰ মানদণ্ড, জীৱনৰ মেৰুদণ্ড আৰু ইয়াৰ পৰিসৰ প্ৰচণ্ড। সেয়েহে সাহিত্য আৰু সাংস্কৃতিক টনকিয়াল হ'বলৈ শিক্ষা উন্নত গুণগত মান সম্পন্ন হ'ব লাগিব। সেই উদ্দেশ্যক সৰোগত কৰি ২০২৩ বৰ্ষত শিক্ষা কোষৰ গঠন কৰা হয়। প্ৰথম অৱস্থাত এই কোষৰ নাম তৰ্ক আৰু শিক্ষা কোষ আছিল যদিও পিছলৈ শিক্ষা কোষ হিচাপে নামাকৰণ কৰা হয়। এই কোষে সাম্প্ৰতিক দিশত খোজ আগবঢ়োৱাত যথেষ্ট সহায় কৰি আহিছে।

## অনুচ্ছেদ নং ২ : উদ্দেশ্য

শিক্ষা কোষৰ মূল উদ্দেশ্য হ'ল “মঞ্চৰ যুক্তিমূলক কামবোৰ জনসাধাৰণৰ মাজত প্ৰচাৰৰ লগতে শিক্ষা সম্পৰ্কে সকলোকে সজাগ কৰি তুলা।”

## অনুচ্ছেদ নং ৩ : নিয়মাৱলী আৰু দায়িত্ব

১. গতানুগতিক ভাৱে মঞ্চখনত বাচকবনীয়া বিষয়ৰ ওপৰত আলোচনা চক্ৰৰ জৰিয়তে জ্ঞানভাণ্ডাৰক ধুমৰা কৰাই দেশ বিদেশৰ বিভিন্ন আলোচনামূলক বিষয়ৰ ওপৰত আলোকপাত কৰাৰ লগতে নিত্য-নতুন শৈক্ষিক নিয়মাৱলীক তথ্যসহ জনসাধাৰণৰ কাষলৈ চপাই নিয়া।
২. শিক্ষা সম্পৰ্কীয় যিকোনো সমস্যাৰ সমাধানৰ ক্ষেত্ৰত নিম্নতম যৎকিঞ্চিৎ হ'লেও সহায়ৰ হাত আগবঢ়োৱা।

## অনুচ্ছেদ নং ৪ : কাৰ্যক্ৰমণিকা

ওপৰত উল্লেখিত উদ্দেশ্য, নিয়মাৱলী আৰু দ্বায়িত্ব সমূহৰ ওপৰত ভিত্তি কৰি শিক্ষা কোষে বিভিন্ন সময়ত কুইজ, তৰ্ক ইত্যাদি প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে ‘যুৱ বক্তাৰ অনুষ্ঠান’ৰ দৰে ময়ুৰীয়া অনুষ্ঠান সমূহ অনুষ্ঠিত কৰাত অন্য কোষ সমূহক সম্পূৰ্ণৰূপে সহায় কৰি আহিছে।।

## ৭ নং ধাৰা : বিত্ত কোষ

### অনুচ্ছেদ নং ১ : বিৱৰণ

কোনো এটা কাম সম্পূৰ্ণ ৰূপে সফল কৰিবলৈ যেনেদৰে উপযুক্ত লক্ষ্য আৰু উদ্দেশ্যৰ প্ৰয়োজন ঠিক তেনেদৰেই অৰ্থভাগৰো প্ৰয়োজন। সেয়েহে আলোড়ন মঞ্চৰ সম্পুৰ্ণ অৰ্থৰ দিশটো বিত্তকোষে চোৱা-চিতা কৰিব। এই কোষটি ২০২৩ চনত সৃষ্টি কৰা হয়।

### অনুচ্ছেদ নং ২ : উদ্দেশ্য

বিত্ত কোষৰ মূল উদ্দেশ্য হৈছে “মঞ্চখনৰ বাবে প্ৰয়োজনীয় ধনৰাশিৰ ব্যৱস্থাপনা কৰাৰ লগতে মিতব্যয়ীতাৰে অৰ্থভাগ উপযুক্ত কাৰ্য্যত খৰছ কৰোৱা” ।

### অনুচ্ছেদ নং ৩ : নিয়মাৱলী আৰু দায়িত্ব

১. মঞ্চখনৰ পুজিঁৰ সম্পূৰ্ণ দায়িত্ব বিত্ত কোষে বহন কৰিব।
২. বিভিন্ন কোষ সমূহক পুঁজিৰ প্ৰয়োজন হ'লে বিত্ত কোষক অৱগত কৰাত বিত্ত কোষে উপযুক্ত ধনৰাশিৰ ব্যৱস্থা কৰি দিব।
৩. প্ৰতিটো অনুষ্ঠান সুচাৰু ৰূপে অনুষ্ঠিত হৈ যোৱাৰ পাছত বিত্ত কোষে সভাপতি আৰু সাধাৰণ সম্পাদকৰ ওচৰত জমা খৰচৰ খতিয়ন দাঙি ধৰিব।
৪. কাৰ্যনিৰ্বাহকৰ সদস্য সকলৰ মাহিলী বৰঙনিৰ সম্পূৰ্ণ খতিয়ন বিত্ত কোষৰ হাতত থাকিব ।
৫. আলোড়ন মঞ্চৰ সমূহ কাৰ্যসূচীত বিভিন্ন কোষসমূহক সম্পূৰ্ণৰূপে সহযোগিতা কৰিব ।

### অনুচ্ছেদ নং ৪ : কাৰ্যক্ৰমণিকা

ওপৰত উল্লেখিত উদ্দেশ্য, নিয়মাৱলী আৰু দ্বায়িত্ব সমূহৰ ওপৰত ভিত্তি কৰি বিত্ত কোষে বিভিন্ন সময়ত ময়ুৰীয়া অনুষ্ঠান সমূহ অনুষ্ঠিত কৰাত অন্য কোষ সমূহক সম্পূৰ্ণৰূপে সহযোগিতা কৰাৰ লগতে উপযুক্ত ধনৰাশিৰ ব্যৱস্থা কৰি  আহিছে ।

## ৮ নং ধাৰা : তথ্য আৰু প্ৰচাৰ কোষ

### অনুচ্ছেদ নং ১ : বিৱৰণ

কোনো এটা সামাজিক কাৰ্য সূচাৰুৰূপে পৰিচালনা কৰিবলৈ কাৰ্যটোৰ উৎকৃষ্ট মানৰ প্ৰচাৰ হোৱাটো নিতান্তই প্ৰয়োজন । সেয়েহে মঞ্চৰ প্ৰচাৰ মাধ্যমটো চোৱা-চিতা কৰিবলৈ ২০২৫ চনত তথ্য আৰু প্ৰচাৰ কোষৰ সৃষ্টি কৰা হয় ।

### অনুচ্ছেদ নং ২ : উদ্দেশ্য

তথ্য আৰু প্ৰচাৰ কোষৰ মূল উদ্দেশ্য হৈছে “মঞ্চ আৰু সমাজৰ মাজৰ যোগসুত্ৰ হিচাপে সম্পৰ্ক স্থাপন কৰা আৰু মঞ্চখনক জনসাধাৰণৰ মাজত পৰিচয় কৰোৱা” ।

### অনুচ্ছেদ নং ৩ : নিয়মাৱলী আৰু দায়িত্ব

১. মঞ্চৰ ইন্টাৰনেটৰ সমূহ কাৰ্যকলাপৰ চোৱা-চিতা কৰা ।
২. মঞ্চৰ কাৰ্যসূচী সমূহ সামাজিক মাধ্যমৰ জৰিয়তে ৰাইজৰ মাজত প্ৰচাৰ কৰা ।
৩. আলোড়ন মঞ্চৰ অন্যান্য কোষসমূহক সকলো কাৰ্যসূচীত সহযোগিতা আগবঢ়োৱা ।

### অনুচ্ছেদ নং ৪ : কাৰ্যক্ৰমণিকা

ওপৰত উল্লেখিত উদ্দেশ্য, নিয়মাৱলী আৰু দ্বায়িত্ব সমূহৰ ওপৰত ভিত্তি কৰি তথ্য আৰু প্ৰচাৰ কোষে বিভিন্ন সময়ত মঞ্চৰ অনুষ্ঠান সমূহ অনুষ্ঠিত কৰাত সম্পূৰ্ণ ৰূপে অৱদান আগবঢ়াই আহিছে ।

## ৯ নং ধাৰা : সামাজিক দায়বদ্ধতা

আলোড়ন মঞ্চৰ মূল উদ্দেশ্য অসমীয়া শিক্ষা সাহিত্য সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰ যদিও শিক্ষা সাহিত্য সংস্কৃতিৰ বিভিন্ন কৰ্মৰাজিৰ ওপৰিও সমাজৰ বিভিন্ন ক্ষেত্ৰত কাম কৰাৰ ক্ষেত্ৰতো মঞ্চৰখন দায়বদ্ধ হ'ব।

## ১০ নং ধাৰা : বাৰ্ষিক সমাৰোহ

মঞ্চৰ বাৰ্ষিক সমাৰোহভাগ প্ৰতি বছৰে ২৬ মে' তাৰিখে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰিব পাৰিব।

বিশেষ পৰিস্থিতিত বাৰ্ষিক সমাৰোহৰ সময়সূচী সালসলনি হ'ব পাৰে । প্ৰতিষ্ঠা দিৱস তথা বাৰ্ষিক সমাৰোহ অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত কাৰ্যনিৰ্বাহকে সিদ্ধান্ত ল'ব।

## ১১ নং ধাৰা : সদস্য অন্তৰ্ভুক্তিৰ চৰ্তসমূহ

### অনুচ্ছেদ নং ১ : সাধাৰণ সদস্য অন্তৰ্ভুক্তিৰ চৰ্তসমূহ

১. অসমীয়া শিক্ষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি আগ্ৰহী প্ৰতিজন মানসিকভাৱে সুস্থ আৰু সচেতন ব্যক্তি মঞ্চৰ সদস্য হ'ব পাৰিব ।

২. সদস্য গৰাকী কোনো ৰাজনৈতিক সংগঠন নাইবা আলোড়ন মঞ্চৰ দৰে আন মঞ্চৰ লগত জড়িত থাকিলেও মঞ্চৰ সাধাৰণ সদস্য হ'ব পাৰিব, কিন্তু এনে সদস্যৰ পৰা মঞ্চৰ ভাবমূৰ্তিত কোনো ধৰণৰ বিৰূপ প্ৰভাৱ পৰিব নোৱাৰিব।

২.ক) এনে পৰিস্থিতিত কাৰ্যনিৰ্বাহকে আলোচনা মৰ্মে সদস্য অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত সিদ্ধান্ত ল'ব।

৩. সদস্যৰ অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত কোনো মাননীৰ ব্যৱস্থা নাথাকিব, সকলোৱে বিনামূলীয়াকৈ মঞ্চৰ সদস্য পদ লব পাৰিব।

৪. সদস্য গৰাকী ১৬ ( ষোল্ল) বছৰ বয়স নাইবা তাৰ ওপৰৰ হ'ব লাগিব।

৫. সদস্য গৰাকীৰ আনুষ্ঠানিক শিক্ষা উচ্চ মাধ্যমিক শ্ৰেণী সম্পূৰ্ণ হ'ব লাগিব ।

৬. সদস্য গৰাকী সম্পূৰ্ণভাৱে অসমীয়া হ'ব লাগিব। অসম বা অসমীয়াক চিনি নোপোৱা তথাকথিত বিশ্ব প্ৰেমীসকল মঞ্চৰ সদস্য হ'ব নোৱাৰিব ।

৭. সদস্য গৰাকীয়ে আলোড়ন মঞ্চৰ সংবিধান খনক সম্পূৰ্ণৰূপে সন্মান জনাই নীতি আদৰ্শসমূহ পালন কৰিম বুলি স্বাক্ষৰ প্ৰদান কৰি মঞ্চৰ লগত জড়িত হ'ব লাগিব।

৮. প্ৰতিজন সাধাৰণ সদস্যই প্ৰতি সপ্তাহে নিজৰ ৰুচি অনুযায়ী একোটাকৈ প্ৰকল্প মঞ্চলৈ বুলি আগবঢ়াব লাগিব ।

৯. মঞ্চৰ অন্যান্য সদস্যই আগবঢ়োৱা প্ৰকল্পৰ প্ৰতি নিজৰ মনোভাৱ আগবঢ়োৱাটো বাঞ্ছনীয় ।

১০. মঞ্চই অনুষ্ঠিত কৰা সকলো অনুষ্ঠানত সম্পূৰ্ণৰূপে সহযোগিতা কৰাটো বাধ্যতামূলক ।

## অনুচ্ছেদ নং ২ : সাধাৰণ পৰিষদত সদস্য অন্তৰ্ভুক্তিৰ চৰ্তসমূহ

১. সাধাৰণ সদস্যৰ অন্তৰ্ভুক্তিৰ চৰ্তসমূহ প্ৰযোজ্য হ'ব ।
২. সদস্য গৰাকী নূন্যতম তিনিমাহ সাধাৰণ সদস্য হিচাপে থকাটো বাধ্যতামূলক ।
৩. সদস্য গৰাকীৰ নূন্যতম আনুষ্ঠানিক শিক্ষা উচ্চ মাধ্যমিক শ্ৰেণী সম্পূৰ্ণ হ'ব লাগিব ।
৪. সাধাৰণ পৰিষদত অন্তৰ্ভুক্ত কৰিবৰ বাবে সদস্যগৰাকীৰ অনুমতি বাধ্যতামূলক। অৰ্থাৎ কোনো সদস্যৰ অনুমতি অবিহনে সাধাৰণ পৰিষদত অন্তৰ্ভুক্ত কৰিব নোৱাৰিব।
৫. সাধাৰণ পৰিষদত অন্তৰ্ভুক্ত হ'বৰ বাবে কোনো ধৰণৰ মাননী ল'ব নোৱাৰিব।
৬. কোনো ৰাজনৈতিক দলৰ পদত থকা ব্যক্তি সাধাৰণ পৰিষদৰ সদস্য হ'ব নোৱাৰিব। কিন্তু অন্য যিকোনো অনুষ্ঠানৰ পদত থকা ব্যক্তিক আলোচনা মৰ্মে সাধাৰণ পৰিষদত অন্তৰ্ভুক্ত কৰিব পৰা যাব ।

## অনুচ্ছেদ নং ৩ : কাৰ্যনিৰ্বাহকত সদস্য অন্তৰ্ভুক্তিৰ চৰ্তসমূহ

১. অসমীয়া শিক্ষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনৰ লগত পৰিচিত, সচেতন তথা উক্ত ক্ষেত্ৰসমূহৰ বিষয়ে প্ৰয়োজনীয় জ্ঞান থকা প্ৰত্যেক ব্যক্তি কাৰ্যনিৰ্বাহকৰ সদস্য হ'ব পাৰিব।
২. সদস্য গৰাকী নূন্যতম ছমাহ সাধাৰণ পৰিষদত থকাটো বাধ্যতামূলক।
৩. সদস্য গৰাকীৰ নূন্যতম আনুষ্ঠানিক শিক্ষা উচ্চতৰ মাধ্যমিক শ্ৰেণী সম্পূৰ্ণ হ'ব লাগিব।
৪. কাৰ্যনিৰ্বাহকত অন্তৰ্ভুক্ত কৰিবৰ বাবে সদস্যগৰাকীৰ অনুমতি বাধ্যতামূলক। অৰ্থাৎ কোনো সদস্যৰ অনুমতি অবিহনে কাৰ্যনিৰ্বাহকত অন্তৰ্ভুক্ত কৰিব নোৱাৰিব।
৫. কাৰ্যনিৰ্বাহকত অন্তৰ্ভুক্ত হ'বৰ বাবে কোনো ধৰণৰ মাননী ল'ব নোৱাৰিব।
৬. কোনো ৰাজনৈতিক দলৰ পদত থকা ব্যক্তি কাৰ্যনিৰ্বাহকৰ সদস্য হ'ব নোৱাৰিব। কিন্তু অন্য যিকোনো অনুষ্ঠানৰ পদত থকা ব্যক্তিক কাৰ্যনিৰ্বাহকে আলোচনা মৰ্মে কাৰ্যনিৰ্বাহকত অন্তৰ্ভুক্ত কৰিব পাৰিব ।

## অনুচ্ছেদ নং ৪ : উপদেষ্টা মণ্ডলীত সদস্য অন্তৰ্ভুক্তিৰ চৰ্তসমূহ

উপদেষ্টা মণ্ডলীত সদস্য অন্তৰ্ভুক্তৰ চৰ্তসমূহ কাৰ্যনিৰ্বাহকত সদস্য অন্তৰ্ভুক্তৰ চৰ্তৰ সৈতে একেই হ'ব।

## অনুচ্ছেদ নং ৫ : পৰিচালনা সমিতিত সদস্য অন্তৰ্ভুক্তিৰ চৰ্তসমূহ

১. সাধাৰণ পৰিষদ আৰু কাৰ্যনিৰ্বাহকত সদস্যৰ অন্তৰ্ভুক্তিৰ চৰ্তসমূহ প্ৰযোজ্য হ'ব ।
২. সদস্য গৰাকীৰ নূন্যতম আনুষ্ঠানিক শিক্ষা স্নাতক ডিগ্ৰী প্ৰাপ্ত হ'ব লাগিব ।
৩. সদস্য গৰাকীয়ে নূন্যতম তিনিবছৰ কাৰ্যনিৰ্বাহকৰ মূল পদৰ বিষয়ববীয়া হিচাপে কাৰ্যনিৰ্বাহ কৰিব লাগিব ।

# ১২ নং ধাৰা : সদস্য অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া

## অনুচ্ছেদ নং ১ : সাধাৰণ সদস্য অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া

১. সাধাৰণ সদস্যৰ অন্তৰ্ভুক্তিৰ চৰ্তসমূহ প্ৰযোজ্য হ'লে ব্যক্তিগৰাকীয়ে মঞ্চৰ ৱেবছাইটত থকা সাধাৰণ সদস্যৰ পঞ্জীয়ন পত্ৰখন পূৰণ কৰিব লাগিব ।
২. পঞ্জীয়ন পত্ৰখন নিৰীক্ষণ কৰাৰ পিছত কাৰ্যনিৰ্বাহকৰ বিষয়ববীয়াই আনুষ্ঠানিকভাৱে ব্যক্তি গৰাকীক আলোড়ন মঞ্চলৈ আমন্ত্ৰণ জনাব ।
৩. যিকোনো এগৰাকী ব্যক্তিক সাধাৰণ পৰিষদৰ সদস্য হিচাপে অন্তৰ্ভুক্ত কৰিবৰ বাবে সভাপতিৰ অনুমতি বাধ্যতামূলক।

## অনুচ্ছেদ নং ২ : সাধাৰণ পৰিষদত সদস্য অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া

১. যিকোনো এগৰাকী ব্যক্তিৰ ক্ষেত্ৰত সাধাৰণ পৰিষদত অন্তৰ্ভুক্ত হোৱাৰ আটাইবোৰ চৰ্ত প্ৰযোজ্য হ'লে,তেওঁক কাৰ্যনিৰ্বাহকৰ যিকোনো এগৰাকী সদস্যই মঞ্চৰ সাধাৰণ পৰিষদৰ সদস্য হিচাপে অন্তৰ্ভুক্ত হ'বৰ বাবে অনুৰোধ জনাব লাগিব।

১.ক) এই ক্ষেত্ৰত সভাপতিৰ অনুমতিৰ প্ৰয়োজন নাথাকিব, কিন্তু পত্ৰযোগে আমন্ত্ৰণ জনোৱাৰ ক্ষেত্ৰত সভাপতিৰ অনুমতি প্ৰয়োজন হ'ব।

২. ব্যক্তিগৰাকীয়ে সাধাৰণ পৰিষদৰ সদস্য অন্তৰ্ভুক্তিৰ সকলো চৰ্ত মানি পৰিষদত অন্তৰ্ভুক্ত হ'বৰ বাবে অনুমতি প্ৰদান কৰিলে আনুষ্ঠানিকভাৱে পত্ৰযোগে পৰিষদলৈ আমন্ত্ৰণ জনাব লাগিব।

৩. যিকোনো এগৰাকী ব্যক্তিক সাধাৰণ পৰিষদৰ সদস্য হিচাপে অন্তৰ্ভুক্ত কৰিবৰ বাবে সভাপতিৰ অনুমতি বাধ্যতামূলক।

## অনুচ্ছেদ নং ৩ : কাৰ্যনিৰ্বাহকত সদস্য অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া

১. সাধাৰণ পৰিষদৰ যিকোনো এগৰাকী সদস্যৰ কাৰ্যনিৰ্বাহকত অন্তৰ্ভুক্তিৰ চৰ্তসমূহ প্ৰযোজ্য হ'লে, সদস্যগৰাকীক সভাপতি অথবা সভাপতিৰ অনুমতি সাপেক্ষে কাৰ্যনিৰ্বাহকৰ যিকোনো এগৰাকী সদস্যৰ দ্বাৰা কাৰ্যনিৰ্বাহকলৈ আমন্ত্ৰণ জনাব লাগিব।

২. সাধাৰণ পৰিষদৰ সদস্যগৰাকীয়ে কাৰ্যনিৰ্বাহকত অন্তৰ্ভুক্ত হ'বৰ বাবে অনুমতি প্ৰদান কৰিলে আনুষ্ঠানিকভাৱে তেওঁক পত্ৰযোগে কাৰ্যনিৰ্বাহকলৈ আমন্ত্ৰণ জনাব লাগিব।

৩. সাধাৰণ পৰিষদৰ সদস্য এগৰাকীৰ কাৰ্যনিৰ্বাহকত অন্তৰ্ভুক্ত হ'বৰ বাবে সভাপতিৰ অনুমতি বাধ্যতামূলক।

## অনুচ্ছেদ নং ৪ : উপদেষ্টামণ্ডলীত সদস্য অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া

উপদেষ্টা মণ্ডলীত সদস্য অন্তৰ্ভুক্তৰ প্ৰক্ৰিয়া কাৰ্যনিৰ্বাহকত সদস্য অন্তৰ্ভুক্তৰ প্ৰক্ৰিয়াৰ সৈতে একেই হ'ব।

## অনুচ্ছেদ নং ৫ : পৰিচালনা সমিতিত সদস্য অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া

১. পৰিচালনা সমিতিত সদস্যৰ অন্তৰ্ভুক্তিৰ চৰ্তসমূহ প্ৰযোজ্য হ'লে পৰিচালনা সমিতিৰ অধ্যক্ষগৰাকীয়ে সদস্য গৰাকীক পত্ৰযোগে আমন্ত্ৰণ জনাব ।

২. কোনো এগৰাকী সদস্যক পৰিচালনা সমিতিত অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত পৰিচালনা সমিতিৰ আটাইকেইগৰাকী সদস্যৰ অনুমতি বাধ্যতামূলক ।

# ১৩ নং ধাৰা : প্ৰাক্তন সদস্যৰ চৰ্তসমূহ

## অনুচ্ছেদ নং ১ : সাধাৰণ পৰিষদৰ প্ৰাক্তন সদস্যৰ চৰ্তসমূহ

১. মঞ্চৰ সাধাৰণ পৰিষদৰ প্ৰাক্তন সদস্য পদৰ বাবে সদস্য গৰাকী নূন্যতম চাৰিবছৰ সাধাৰণ পৰিষদৰ সক্ৰিয় সদস্য হিচাপে থকাটো বাধ্যতামূলক।

২. চাৰিবছৰ সাধাৰণ পৰিষদত থকা যিকোনো এজন সদস্যই উপযুক্ত কাৰণ দৰ্শাই সাধাৰণ পৰিষদৰ পৰা অব্যাহতি ল'লে, সদস্যগৰাকী সাধাৰণ পৰিষদৰ প্ৰাক্তন সদস্য হিচাপে বিবেচিত হ'ব।

৩. মঞ্চৰ কাৰ্যনিৰ্বাহকে বহিস্কাৰ কৰা কোনো সদস্য প্ৰাক্তন সদস্য হিচাপে বিবেচিত নহ'ব।

৪. মঞ্চৰ সাধাৰণ পৰিষদৰ প্ৰাক্তন সদস্য সকলক যিকোনো অনুষ্ঠানত নিমন্ত্ৰণ জনোৱাৰ লগতে যিকোনো ধৰণৰ সহায় সহযোগিতাৰ বাবে আহ্বান জনাব পাৰিব।

### অনুচ্ছেদ নং ২ : কাৰ্যনিৰ্বাহকৰ প্ৰাক্তন সদস্যৰ চৰ্তসমূহ

১. মঞ্চৰ কাৰ্যনিৰ্বাহকৰ কাৰ্যকাল সম্পূৰ্ণ কৰা যিকোনো এজন সদস্যক প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য হিচাপে বিবেচনা কৰা হ'ব।

১.ক) বিশেষ পৰিস্থিতিত উপযুক্ত কাৰণসহ কাৰ্যনিৰ্বাহকৰ অনুমতি সাপেক্ষে কাৰ্যনিৰ্বাহকৰ পৰা অব্যাহতি লোৱা সদস্যসকলকো প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য হিচাপে বিবেচিত হ'ব।

১.খ) কাৰ্যনিৰ্বাহকে বহিস্কাৰ কৰা কাৰ্যনিৰ্বাহক সদস্যক প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য হিচাপে বিবেচনা কৰা নহ'ব।

২. প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য সকলক মঞ্চৰ ভৱিষ্যতৰ যিকোনো অনুষ্ঠানত আমন্ত্ৰণ জনোৱাটো বাধ্যতামূলক।

৩. মঞ্চৰ কাৰ্যনিৰ্বাহকে প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য সকলক পৰাও মঞ্চ পৰিচালনাৰ বাবে পৰামৰ্শৰ লগতে যিকোনো ধৰণৰ সহায় সহযোগিতা বিচাৰিব পাৰিব।

### অনুচ্ছেদ নং ৩ : উপদেষ্টামণ্ডলীৰ প্ৰাক্তন সদস্যৰ চৰ্তসমূহ

উপদেষ্টা মণ্ডলীৰ প্ৰাক্তন সদস্য পদৰ চৰ্তসমূহ কাৰ্যনিৰ্বাহকৰ প্ৰাক্তন সদস্য পদৰ চৰ্তসমূহৰ সৈতে একেই হ'ব।

## ১৪ নং ধাৰা : যৌথ সহযোগিতাৰ চৰ্তসমূহ

### অনুচ্ছেদ নং ১ : মঞ্চৰ কোষসমূহৰ মাজত যৌথ সহযোগিতাৰ চৰ্তসমূহ

১. মঞ্চৰ কোষসমূহৰ মাজত যিকোনো পৰিস্থিতিত, যিকোনো অনুষ্ঠানত/কাৰ্যসূচীত যৌথ সহযোগিতা আগবঢ়াব পাৰিব।

২. কোষৰ সম্পাদক সকলে যৌথ সহযোগিতাত সন্মতি প্ৰদান কৰিলে সভাপতিয়ে অনুমতি প্ৰদান কৰিব পাৰিব।

৩. যিকোনো অনুষ্ঠানত/কাৰ্যসূচীত দুটা বা ততোধিক কোষে সহযোগিতা আগবঢ়ালে সকলো দিশৰ লগতে বিত্তীয় দিশটোতো সহযোগিতা আগবঢ়াব লাগিব।

### অনুচ্ছেদ নং ২ : মঞ্চৰ লগত অন্যান্য সংঘ/সংস্থাৰ যৌথ সহযোগিতাৰ চৰ্তসমূহ

১. মঞ্চৰ আৰু অন্যান্য সংঘ অথবা সংস্থাৰ লগত যৌথ সহযোগিতাৰ বিষয়ত পৰিচালনা সমিতিয়ে কাৰ্যনিৰ্বাহকৰ সদস্যসকলৰ লগত আলোচনা মৰ্মে সিদ্ধান্ত ল'ব।

২. ৰাজনৈতিক বা ৰাজনৈতিক দলৰ সহযোগী সংগঠনৰ লগত মঞ্চই কেতিয়াও সহযোগিতা নকৰিব।

৩. অসমীয়া সাহিত্য, সংস্কৃতি, সামাজিক তথা শৈক্ষিক দিশত উঠি অহা সংঘ অথবা সংস্থাৰ লগত সহযোগিতা কৰিব পাৰিব।

৪. অন্যান্য সংঘ অথবা সংস্থা লগত সহযোগিতা কৰাৰ ফলত যাতে মঞ্চৰ সদস্যসকলৰ তথা মঞ্চৰ লক্ষ্য আৰু উদ্দেশ্যৰ লগতে স্বাভিমানত ব্যাঘাত নজন্মে সেই বিষয়ে চিন্তা চৰ্চা কৰিহে সহযোগিতাৰ ক্ষেত্ৰত আগবাঢ়িব পাৰিব।

## ১৫ নং ধাৰা : আলোচনা চক্ৰলৈ আহ্বান

১. মঞ্চৰ কোনো বিশেষ ঘোষণা নাইবা কোনো পৰামৰ্শৰ প্ৰয়োজনত কাৰ্যনিৰ্বাহকৰ সভাপতি নাইবা সাধাৰণ সম্পাদকে আলোচনা চক্ৰলৈ আহ্বান জনাব ।

২. আলোচনা চক্ৰখনকেই মঞ্চৰ সাধাৰণ সভা হিচাপে গণ্য কৰা হ'ব । আলোচনা চক্ৰত মঞ্চৰ সাধাৰণ সদস্য, সাধাৰণ পৰিষদৰ সদস্য, কাৰ্যনিৰ্বাহকৰ সদস্য, উপদেষ্টা মণ্ডলীৰ সদস্য তথা পৰিচালনা সমিতিৰ সদস্য উপস্থিত থাকিব ।

## ১৬ নং ধাৰা : কাৰ্যনিৰ্বাহকৰ আহ্বান

১. মঞ্চৰ কাৰ্যনিৰ্বাহকৰ আহ্বান সভাপতিয়ে কৰিব লাগিব।

১.ক) বিশেষ পৰিস্থিতিত সাধাৰণ সম্পাদকে সভাপতিৰ অনুমতি মৰ্মে কাৰ্যনিৰ্বাহকৰ আহ্বান কৰিব পাৰিব।

১.খ) কাৰ্যনিৰ্বাহকৰ কোষৰ সম্পাদকসকলে সংশ্লিষ্ট কোষৰ বিষয়সমূহ আলোচনাৰ বাবে সভাপতিক কাৰ্যনিৰ্বাহকৰ আহ্বানৰ বাবে অনুৰোধ কৰিব পাৰিব। এই ক্ষেত্ৰত সভাপতিৰ অনুমতি বাধ্যতামূলক।

২. সভাপতি অথবা সভাপতিৰ অনুমতি সাপেক্ষে আহ্বান কৰা কাৰ্যনিৰ্বাহকক পূৰ্ণাংগ তথা সভাপতিৰ অনুমতি সাপেক্ষে কোষৰ সম্পাদকে আহ্বান জনোৱা কাৰ্যনিৰ্বাহকক আংশিক কাৰ্যনিৰ্বাহকৰূপে বিবেচনা কৰা হ'ব।

৩. মঞ্চৰ যিকোনো প্ৰস্তাৱ কেৱল পূৰ্ণাংগ কাৰ্যনিৰ্বাহকতহে কাৰ্যকৰী কৰিব পাৰিব।

৪. পূৰ্ণাংগ কাৰ্যনিৰ্বাহকত মুখ্য উপদেষ্টা, সভাপতি, সাধাৰণ সম্পাদক তথা প্ৰত্যেক কোষৰ নূন্যতম দুগৰাকী সদস্য উপস্থিত থকাটো বাধ্যতামূলক। আংশিক কাৰ্যনিৰ্বাহকত পৰিচালনা সমিতি তথা মুখ্য উপদেষ্টাৰ উপস্থিতি বাধ্যতামূলক নহয়। আংশিক কাৰ্যনিৰ্বাহকত সভাপতি আৰু সম্পাদকৰ দুয়োগৰাকী অথবা যিকোনো এগৰাকী উপস্থিত থাকিলেই হ'ব। আংশিক কাৰ্যনিৰ্বাহক আহ্বান কৰা কোষৰ আটাইকেইগৰাকী সদস্য উপস্থিত থকাটো বাধ্যতামূলক। কোষৰ সদস্যসকলৰ বাধ্যতামূলক উপস্থিতি কোষৰ সম্পাদকগৰাকীয়ে নিশ্চিত কৰিব লাগিব।

৪.ক) কোনো ক্ষেত্ৰত যেতিয়া দুটা বা ততোধিক কোষে সহযোগিতা কৰিব,মূল কোষে আহ্বান কৰা আংশিক কাৰ্যনিৰ্বাহকত সহযোগিতা আগবঢ়োৱা কোষৰ সম্পাদক কেইগৰাকীৰ উপস্থিতি বাধ্যতামূলক।

## ১৭ নং ধাৰা : কাৰ্যনিৰ্বাহকৰ সাল সলনি

১. কাৰ্যনিৰ্বাহক এখন গঠন হোৱা দিনাৰ পৰা নূন্যতম চাৰি মাহ সময়লৈকে কোনো পদাধিকাৰ হস্তান্তৰ কৰিব পৰা নাযাব।

২. এটা বৰ্ষত অধিকতম তিনি বাৰ কাৰ্যনিৰ্বাহকৰ সাল সলনি কৰিব পাৰিব।

৩. সাল সলনিৰ বিষয়টো সম্পূৰ্ণ ৰূপে পৰিচালনা সমিতিৰ আওঁতাত থাকিব।

৪. কাৰ্যনিৰ্বাহকখন কোনো পৰিস্থিতিতে সম্পূৰ্ণ ৰূপে ভংগ কৰিব পৰা নাযাব।

৪.ক) যদি কোনো বিশেষ পৰিস্থিতিত সম্পূৰ্ণ কাৰ্যনিৰ্বাহকখনে পদত্যাগ কৰে,তেনে ক্ষেত্ৰত নতুন কাৰ্যনিৰ্বাহক গঠন নোহোৱা পৰ্যন্ত উপদেষ্টামণ্ডলীয়ে দায়িত্ব পালন কৰিব।

## ১৮ নং ধাৰা : কাৰ্যনিৰ্বাহকৰ কাৰ্যকাল

১. আলোড়ন মঞ্চৰ কাৰ্যনিৰ্বাহকখন সাধাৰণতে এবছৰৰ বাবে নিৰ্বাচিত হ'ব।

১.ক) বিশেষ পৰিস্থিতিত কাৰ্যনিৰ্বাহকখন পুনৰ নিৰ্বাচিত হ'ব পাৰিব।

১.খ) কাৰ্যনিৰ্বাহকখন পুনৰ নিৰ্বাচিত হ'লেও তিনি বছৰৰ অধিক সময়ৰ বাবে পুনৰ নিৰ্বাচিত হ'ব নোৱাৰিব,অৰ্থাৎ অধিকতম্ তিনিবাৰ পুনৰ নিৰ্বাচিত হ'ব পাৰিব।

১.গ) বিশেষ পৰিস্থিতিত চলিত কাৰ্যনিৰ্বাহকৰ কাৰ্যকাল তিনিমাহ পৰ্যন্ত বৃদ্ধি কৰিব পৰা যাব ।

১.ঘ) কাৰ্যনিৰ্বাহকৰ পুনৰ নিৰ্বাচন তথা কাৰ্যকাল বৃদ্ধিৰ ক্ষেত্ৰত পৰিচালনা সমিতিৰ অনুমতি তথা কাৰ্যনিৰ্বাহকৰ সমূহ সদস্যৰ মতামত বাধ্যতামূলক ।

২. কাৰ্যনিৰ্বাহকৰ সদস্যসকল কেৱল দক্ষতাৰ ভিত্তিত নিৰ্বাচিত হ'ব।

৩. কোনো পৰিস্থিতিতে নিৰ্বাচন অনুষ্ঠিত কৰিব নোৱাৰিব।

৪. কাৰ্যনিৰ্বাহকৰ গঠনৰ ক্ষেত্ৰত সদস্যসকলৰ নিজৰ মত ব্যক্ত কৰাৰ সম্পূৰ্ণ অধিকাৰ থাকিব।

৫. কোনো এগৰাকী সদস্যক কাৰ্যনিৰ্বাহকত অন্তৰ্ভুক্ত কৰোতে সদস্যগৰাকীৰ অনুমতি বাধ্যতামূলক।

## ১৯ নং ধাৰা : পৰিচালনা সমিতিৰ গঠনৰ সমীকৰণ

১. মঞ্চৰ আভ্যন্তৰীণ বিষয়সমূহৰ অভিজ্ঞ ব্যক্তিসকল পৰিচালনা সমিতিৰ সদস্য হ'ব।
২. পৰিচালনা সমিতিখনৰ মুৰব্বী হিচাপে এগৰাকী অধ্যক্ষ থাকিব।
৩. পৰিচালনা সমিতিৰ সদস্যৰ সংখ্যা নূন্যতম এগৰাকী আৰু সৰ্বাধিক কোনো সীমা নাথাকিব।
৪. অধ্যক্ষ গৰাকীৰ নিৰ্বাচন পৰিচালনা সমিতিৰ সদস্যৰ আওঁতাত থাকিব।
৫. পৰিচালনা সমিতিৰ সদস্যসকলৰ কাৰ্যকাল নূন্যতম এবছৰ আৰু সৰ্বাধিক কাৰ্যকালৰ কোনো সময়সীমা নাথাকিব।

৫.ক) অধ্যক্ষ গৰাকীৰ কাৰ্যকাল নিৰ্বাচিত হোৱাৰ পিছত নূন্যতম এবছৰ আৰু সৰ্বাধিক তিনিবছৰ হ'ব।

৫.খ) এবাৰ কাৰ্যকাল সম্পূৰ্ণ হোৱাৰ পিছত অধ্যক্ষ গৰাকী পুনৰ নিৰ্বাচিত হ'ব পাৰিব।

## ২০ নং ধাৰা : উপদেষ্টা মণ্ডলীৰ গঠনৰ সমীকৰণ

১. আলোড়ন মঞ্চৰ উপদেষ্টা মণ্ডলীখন মঞ্চৰ বিভিন্ন ক্ষেত্ৰৰ অভিজ্ঞ ব্যক্তি সকলৰ দ্বাৰা গঠিত হ'ব। উপদেষ্টা মণ্ডলী গঠন কাৰ্যনিৰ্বাহকৰ দ্বাৰা হ'ব।
২. উপদেষ্টা মণ্ডলীত অন্তৰ্ভুক্ত হ'বৰ বাবে সদস্য এগৰাকী সাধাৰণ পৰিষদত নূন্যতম এবছৰ সদস্য হিচাপে থকাটো বাধ্যতামূলক।
৩. উপদেষ্টা মণ্ডলীখনত নূন্যতম পাঁচ গৰাকী সদস্য থাকিব লাগিব, অধিকতম্ সীমা নাই।

৩.ক) কিন্তু বিশেষ পৰিস্থিতিত নূন্যতম তিনি গৰাকী সদস্যৰেও উপদেষ্টা মণ্ডলীখন গঠন কৰিব পৰা যাব।

৪. মঞ্চৰ উপদেষ্টা মণ্ডলীত সদস্য হিচাপে থাকিবৰ বাবে যিকোনো এগৰাকী ব্যক্তিৰ বয়স নূন্যতম ২৫ বছৰ হোৱাটো বাধ্যতামূলক।
৫. মঞ্চৰ উপদেষ্টামণ্ডলীৰ কাৰ্যকালৰ কোনো সীমা নাথাকিব, অৰ্থাৎ সদস্যগৰাকীয়ে নিজৰ ইচ্ছানুসৰি মণ্ডলীত সদস্য হিচাপে থাকিব পাৰিব আৰু অব্যাহতি ল'ব পাৰিব।
৬. উপদেষ্টামণ্ডলীৰ সদস্যসকল কাৰ্যনিৰ্বাহকৰ প্ৰাক্তন সদস্যও হ'ব পাৰিব।
৭. উপদেষ্টামণ্ডলীখন প্ৰত্যক্ষ ভাৱে কাৰ্যনিৰ্বাহকৰ অন্তৰ্গত নহ'ব। যিকোনো পৰিস্থিতিত উপদেষ্টামণ্ডলীয়ে কাৰ্যনিৰ্বাহকৰ সিদ্ধান্তৰ ওপৰত মন্তব্য কৰিব পাৰিব কিন্তু সিদ্ধান্তসমূহ কাৰ্যকৰী কৰিব নোৱাৰিব।

## ২১ নং ধাৰা : কাৰ্যনিৰ্বাহকৰ গঠনৰ সমীকৰণ

**আলোড়ন মঞ্চৰ কাৰ্যনিৰ্বাহকখন নিম্নোক্ত ধৰণেৰে গঠিত হ'ব -**

### অনুচ্ছেদ নং ১ : মুখ্য উপদেষ্টা

১. উপদেষ্টা মণ্ডলীৰ আটাইতকৈ বিজ্ঞ সদস্য গৰাকী মুখ্য উপদেষ্টা পদত অধিষ্ঠিত হ'ব।
২. মুখ্য উপদেষ্টা গৰাকী পূৰ্ণাংগ কাৰ্যনিৰ্বাহকৰ অন্তৰ্গত হ'ব।
৩. মুখ্য উপদেষ্টা পদত অধিষ্ঠিত হ'বৰ বাবে কোনো এগৰাকী সদস্য নূন্যতম এবছৰ সাধাৰণ পৰিষদত তথা নূন্যতম এবছৰ উপদেষ্টা মণ্ডলীৰ সদস্য হ'ব লাগিব।
৪. মুখ্য উপদেষ্টাৰ কাৰ্যকাল অধিকতম্ তিনি বছৰৰ বাবে হ'ব। পুনৰ নিৰ্বাচিত হ'ব পাৰিব।

৪.ক) বিশেষ পৰিস্থিতিত কাৰ্যকাল সম্পূৰ্ণ হোৱাৰ আগতেই সদস্য এগৰাকীয়ে মুখ্য উপদেষ্টাৰ পদ এৰিব পাৰিব। কিন্তু পদত অধিষ্ঠিত হোৱাৰ পৰা নূন্যতম এবছৰ উক্ত পদত থকাটো বাধ্যতামূলক।

## অনুচ্ছেদ নং ২ : পূৰ্ণাংগ কাৰ্যনিৰ্বাহক

- **মুখ্য উপদেষ্টা (এগৰাকী)**
- **সভাপতি (এগৰাকী)**
- **উপ - সভাপতি (এগৰাকী)***
- **সাধাৰণ সম্পাদক (এগৰাকী)**
- **সহকাৰী সাধাৰণ সম্পাদক (এগৰাকী)***
- **সাহিত্য সম্পাদক (এগৰাকী)**
- **সাংস্কৃতিক সম্পাদক (এগৰাকী)**
- **শিক্ষা সম্পাদক (এগৰাকী)**
- **বিত্ত সম্পাদক (এগৰাকী)**
- **তথ্য আৰু প্ৰচাৰ সম্পাদক (এগৰাকী)**
- **বিভিন্ন কোষৰ সদস্যসকল (প্ৰত্যেক কোষৰ নূন্যতম এগৰাকী)**

*** পূৰ্ণাংগ কাৰ্যনিৰ্বাহকত উপ-সভাপতি আৰু সহকাৰী সাধাৰণ সম্পাদক পদ দুটা থকাটো বাধ্যতামূলক নহয়। উক্ত পদ দুটা সভাপতিৰ অনুমোদন ক্ৰমে অন্তৰ্ভুক্ত তথা কৰ্তন কৰিব পাৰিব ।**

১. মঞ্চৰ পূৰ্ণাংগ কাৰ্যনিৰ্বাহকত যিকোনো সময়ত নূন্যতম ১০ গৰাকী আৰু অধিকতম ২০ গৰাকী সদস্য থকাটো বাঞ্ছনীয়।

১.ক) বিশেষ পৰিস্থিতিত যেতিয়া উপ-সভাপতি আৰু সহকাৰী সাধাৰণ সম্পাদক পদ দুটা কাৰ্যনিৰ্বাহকত থাকিলে সদস্যৰ পৰিসৰ ১২ - ২২ গৰাকী হ'ব।

১.খ) বিশেষ পৰিস্থিতিত সদস্যৰ অধিকতম সংখ্যা ২০ তকৈ (কোনো পৰিস্থিতিত ২২) বৃদ্ধি কৰিব পাৰিব। কিন্তু এই সংখ্যা সাধাৰণ সদস্যৰ সংখ্যাৰ এক তৃতীয়াংশতৈ বেছি হ'ব নোৱাৰিব।

১.গ) যদি কোনো পৰিস্থিতিত মঞ্চৰ সাধাৰণ সদস্যৰ সংখ্যাৰ এক তৃতীয়াংশ কাৰ্যনিৰ্বাহকৰ সাধাৰণ নিৰ্ধাৰিত সংখ্যাৰ কম হয়, তেনে পৰিস্থিতিত কাৰ্যনিৰ্বাহকৰ সদস্যৰ সংখ্যা নিৰ্ধাৰিত সংখ্যাতকৈ(২০ জনতকৈ অথবা কোনো পৰিস্থিতিত ২২ জনতকৈ) বৃদ্ধি কৰিব নোৱাৰিব।

২. এগৰাকী কাৰ্যনিৰ্বাহক সদস্যই যিকোনো সময়ত দুটাতকৈ অধিক পদত থাকিব নোৱাৰিব।

৩. যিকোনো সময়ত এগৰাকী সদস্য সৰ্বাধিক দুটা কোষৰ সদস্য হ'ব পৰিব।

৩.ক) কোনো এগৰাকী সদস্যই দুটা কোষৰ সদস্য পদ গ্ৰহণ কৰিলে দুয়োটা পদ প্ৰাথমিক কোষৰ অন্তৰ্গত হ'ব নোৱাৰিব, অৰ্থাৎ এটা পদ প্ৰাথমিক কোষ আৰু আনটো পদ সহায়ক কোষৰ অন্তৰ্গত হ'ব লাগিব নাইবা দুয়োটা পদ সহায়ক কোষৰ অন্তৰ্গত হ'ব লাগিব ।

৩.ক) বিশেষ পৰিস্থিতিত কোনো কোষে সামূহিকভাৱে পদত্যাগ কৰিলে,সেই কোষটো পুনৰ গঠন নোহোৱা পৰ্যন্ত অন্য এটা কোষক সংশ্লিষ্ট কোষৰ দায়িত্ব দিব পাৰিব।

## অনুচ্ছেদ নং ৩ : কাৰ্যনিৰ্বাহকৰ মূলৰ সদস্য

১. মঞ্চৰ কাৰ্যনিৰ্বাহকত দুবছৰ একেলেথাৰিৰে বিভিন্ন দায়িত্ব পালন কৰা সদস্য সকলক উক্ত পদত অধিষ্ঠিত কৰিব পৰা যাব।

২. সদস্যসকলৰ কোনো নিৰ্দিষ্ট দায়িত্ব নাথাকিব, কিন্তু কাৰ্যনিৰ্বাহকৰ লগত জড়িত যিকোনো বিষয়ত নিজৰ মত পোষণ কৰাৰ অধিকাৰ থাকিব।

৩. সদস্যসকলৰ প্ৰত্যেক কাৰ্যনিৰ্বাহকত উপস্থিত থকাটো বাধ্যতামূলক নহয়।

৩.ক) মঞ্চৰ গুৰুত্বপূৰ্ণ বিষয়ত আলোচনাৰ বাবে আহ্বান জনোৱা পূৰ্ণাংগ কাৰ্যনিৰ্বাহকত সদস্যসকল উপস্থিত থাকিব লাগিব।

৪. বিশেষ পৰিস্থিতিত কোনো কোষৰ সম্পাদক গৰাকীয়ে অব্যাহতি ল'লে,যদি কোষৰ অন্য সদস্যসকলে সম্পাদকৰ দায়িত্ব পালন কৰিব নিবিচাৰে, তেনে পৰিস্থিতিত কাৰ্যনিৰ্বাহকৰ মূলৰ সদস্য এগৰাকীক অস্থায়ী ভাৱে কেইদিনমানৰ কাৰণে সম্পাদকৰ দায়িত্ব দিব পৰা যাব।

৪.ক) এনে পৰিস্থিতিত দায়িত্ব দিয়াৰ আগত মূলৰ সদস্যগৰাকীৰ অনুমতি বাধ্যতামূলক।

৫. মূলৰ সদস্য গৰাকীৰ কাৰ্যকালৰ অধিকতম্ সীমা তিনি বছৰ হ'ব। (দুবছৰ কাৰ্যনিৰ্বাহকৰ পদৰ দায়িত্ব আৰু এবছৰ মূলৰ সদস্য হিচাপে)।

৬. সদস্যৰ সংখ্যাৰ কোনো সীমা নাথাকিব। কিন্তু পূৰ্ণাংগ কাৰ্যনিৰ্বাহকৰ সদস্যৰ সমীকৰণৰ নিয়ম মানি চলিব লাগিব।

৭. সদস্যসকলে বিচাৰিলে পুনৰ অন্যান্য কোষৰ দায়িত্ব ল'ব পাৰিব, কিন্তু মূলৰ সদস্যৰ কাৰ্যকাল সম্পূৰ্ণ কৰাৰ পিছত পুনৰ নূন্যতম এবছৰ সাধাৰণ পৰিষদৰ সদস্য হ'ব লাগিব।

৭.ক) সদস্য সকলক কাৰ্যনিৰ্বাহকত পুনৰ অন্তৰ্ভুক্ত কৰাৰ বিষয়টো সম্পূৰ্ণৰূপে সেইসময়ৰ পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰিব।

৮. সাধাৰণ পৰিষদৰ পৰা কোনো সদস্য পোনপটীয়াকৈ মূলৰ সদস্য হ'ব নোৱাৰিব।

## ২২ নং ধাৰা : সাধাৰণ পৰিষদৰ গঠনৰ সমীকৰণ

১. মঞ্চৰ বিশেষভাৱে সক্ৰিয় সদস্যসকলৰ দ্বাৰা সাধাৰণ পৰিষদ গঠন হ'ব ।

২. সাধাৰণ পৰিষদৰ সংখ্যা নূন্যতম পাঁচ গৰাকী আৰু সৰ্বাধিক দহ গৰাকী হ'ব ।

২.ক) বিশেষ পৰিস্থিতিত সদস্যৰ সংখ্যা সালসলনিৰ ক্ষেত্ৰত কাৰ্যনিবাহকে সিদ্ধান্ত ল'ব ।

## ২৩ নং ধাৰা : কাৰ্যনিৰ্বাহকৰ পদৰ চৰ্তসমূহ

### অনুচ্ছেদ নং ১ : সভাপতি:

১. সভাপতি পদত অধিষ্ঠিত হ'বলৈ পোনপ্ৰথমে ব্যক্তি গৰাকী কাৰ্যনিৰ্বাহকৰ কোনো কোষৰ সদস্য হ'ব লাগিব।

২. নূন্যতম ছমাহ কাৰ্যনিৰ্বাহকত থকাটো বাধ্যতামূলক।

৩. সদস্যগৰাকীৰ বয়স বিশ বছৰৰ কম হ'ব নোৱাৰিব।

৪. অসমীয়া শিক্ষা সাহিত্য সংস্কৃতিৰ সম্যক জ্ঞান থকাটো বাধ্যতামূলক।

### অনুচ্ছেদ নং ২ : সাধাৰণ সম্পাদক

১. সাধাৰণ সম্পাদক পদত অধিষ্ঠিত হ'বলৈ পোনপ্ৰথমে ব্যক্তি গৰাকী কাৰ্যনিৰ্বাহকৰ কোনো কোষৰ সদস্য হ'ব লাগিব।

২. নূন্যতম ছমাহ কাৰ্যনিৰ্বাহকত থকাটো বাধ্যতামূলক।

৩. সদস্যগৰাকীৰ বয়স বিশ বছৰৰ কম হ'ব নোৱাৰিব।

৪. অসমীয়া শিক্ষা সাহিত্য সংস্কৃতিৰ সম্যক জ্ঞান থকাটো বাধ্যতামূলক।

### অনুচ্ছেদ নং ৩ : উপ-সভাপতি

১. উপ - সভাপতি পদত অধিষ্ঠিত হ'বলৈ পোনপ্ৰথমে ব্যক্তি গৰাকী কাৰ্যনিৰ্বাহকৰ কোনো কোষৰ সদস্য হ'ব লাগিব।

২. নূন্যতম ছমাহ কাৰ্যনিৰ্বাহকত থকাটো বাধ্যতামূলক।

৩. সদস্যগৰাকীৰ বয়স বিশ বছৰৰ কম হ'ব নোৱাৰিব।

৪. অসমীয়া শিক্ষা সাহিত্য সংস্কৃতিৰ সম্যক জ্ঞান থকাটো বাধ্যতামূলক।

## অনুচ্ছেদ নং ৪ : সহকাৰী সাধাৰণ সম্পাদক

১. সহকাৰী সাধাৰণ সম্পাদক পদত অধিষ্ঠিত হ'বলৈ পোনপ্ৰথমে ব্যক্তি গৰাকী কাৰ্যনিৰ্বাহকৰ কোনো কোষৰ সদস্য হ'ব লাগিব।
২. নূন্যতম ছমাহ কাৰ্যনিৰ্বাহকত থকাটো বাধ্যতামূলক।
৩. সদস্যগৰাকীৰ বয়স বিশ বছৰৰ কম হ'ব নোৱাৰিব।
৪. অসমীয়া শিক্ষা সাহিত্য সংস্কৃতিৰ সম্যক জ্ঞান থকাটো বাধ্যতামূলক।

## অনুচ্ছেদ নং ৫ : সাহিত্য সম্পাদক

১. সাহিত্য সম্পাদক পদত অধিষ্ঠিত হ'বলৈ পোনপ্ৰথমে ব্যক্তি গৰাকী সাধাৰণ পৰিষদৰ সদস্য হ'ব লাগিব।
২. নূন্যতম চাৰিমাহ কাৰ্যনিৰ্বাহকত থকাটো বাধ্যতামূলক।
৩. সদস্যগৰাকীৰ বয়স উনৈশ বছৰৰ কম হ'ব নোৱাৰিব।
৪. অসমীয়া শিক্ষা সাহিত্য সংস্কৃতিৰ সম্যক জ্ঞান থকাটো বাধ্যতামূলক।

## অনুচ্ছেদ নং ৬ : সাংস্কৃতিক সম্পাদক

১. সাংস্কৃতিক সম্পাদক পদত অধিষ্ঠিত হ'বলৈ পোনপ্ৰথমে ব্যক্তি গৰাকী সাধাৰণ পৰিষদৰ সদস্য হ'ব লাগিব।
২. নূন্যতম চাৰিমাহ কাৰ্যনিৰ্বাহকত থকাটো বাধ্যতামূলক।
৩. সদস্যগৰাকীৰ বয়স উনৈশ বছৰৰ কম হ'ব নোৱাৰিব।
৪. অসমীয়া শিক্ষা সাহিত্য সংস্কৃতিৰ সম্যক জ্ঞান থকাটো বাধ্যতামূলক।

## অনুচ্ছেদ নং ৭ : শিক্ষা সম্পাদক

১. শিক্ষা সম্পাদক পদত অধিষ্ঠিত হ'বলৈ পোনপ্ৰথমে ব্যক্তি গৰাকী সাধাৰণ পৰিষদৰ সদস্য হ'ব লাগিব।
২. নূন্যতম চাৰিমাহ কাৰ্যনিৰ্বাহকত থকাটো বাধ্যতামূলক।
৩. সদস্যগৰাকীৰ বয়স উনৈশ বছৰৰ কম হ'ব নোৱাৰিব।
৪. অসমীয়া শিক্ষা সাহিত্য সংস্কৃতিৰ সম্যক জ্ঞান থকাটো বাধ্যতামূলক।

## অনুচ্ছেদ নং ৮ : বিত্ত সম্পাদক

১. বিত্ত সম্পাদক পদত অধিষ্ঠিত হ'বলৈ পোনপ্ৰথমে ব্যক্তি গৰাকী সাধাৰণ পৰিষদৰ সদস্য হ'ব লাগিব।
২. নূন্যতম চাৰিমাহ কাৰ্যনিৰ্বাহকত থকাটো বাধ্যতামূলক।
৩. সদস্যগৰাকীৰ বয়স উনৈশ বছৰৰ কম হ'ব নোৱাৰিব।
৪. বিত্তীয় নীতি নিয়মসমূহ শুদ্ধ ৰূপত জনাটো বাধ্যতামূলক।

## অনুচ্ছেদ নং ৯ : তথ্য আৰু প্ৰচাৰ সম্পাদক

১. তথ্য আৰু প্ৰচাৰ সম্পাদক পদত অধিষ্ঠিত হ'বলৈ পোনপ্ৰথমে ব্যক্তি গৰাকী সাধাৰণ পৰিষদৰ সদস্য হ'ব লাগিব।
২. নূন্যতম চাৰিমাহ কাৰ্যনিৰ্বাহকত থকাটো বাধ্যতামূলক।
৩. সদস্যগৰাকীৰ বয়স উনৈশ বছৰৰ কম হ'ব নোৱাৰিব।
৪. ইন্টাৰনেটৰ বিষয়ে সম্যক জ্ঞান থকাটো বাঞ্চনীয় । সম্পাদনা কৰাৰ ক্ষেত্ৰত অভিজ্ঞতা থকাটো প্ৰয়োজনীয় ।

## অনুচ্ছেদ নং ১০ : সাহিত্য কোষৰ সদস্য পদৰ চৰ্তসমূহ

১. সাহিত্য কোষৰ সদস্য হ'বৰ বাবে ব্যক্তিগৰাকী পোনপ্ৰথমে সাধাৰণ পৰিষদৰ সদস্য হোৱাটো বাধ্যতামূলক।
২. অসমীয়া ভাষা সাহিত্যৰ ক্ষেত্ৰখনৰ লগত পৰিচিত হোৱাৰ লগতে জ্ঞান থকাটো অপৰিহাৰ্য।
৩. সদস্যগৰাকীৰ নূন্যতম আনুষ্ঠানিক শিক্ষা উচ্চতৰ মাধ্যমিক শ্ৰেণী সম্পূৰ্ণ হ'ব লাগিব।
৪. সদস্যগৰাকী নূন্যতম ছমাহ সাধাৰণ পৰিষদৰ সদস্য হিচাপে থকাটো বাধ্যতামূলক।
৫. যিকোনো পৰিস্থিতিত নূন্যতম এগৰাকী সদস্য কোষত থকাটো বাধ্যতামূলক।

## অনুচ্ছেদ নং ১১ : সাংস্কৃতিক কোষৰ সদস্য পদৰ চৰ্তসমূহ

১. সাংস্কৃতিক কোষৰ সদস্য হ'বৰ বাবে ব্যক্তিগৰাকী পোনপ্ৰথমে সাধাৰণ পৰিষদৰ সদস্য হোৱাটো বাধ্যতামূলক।
২. অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰখনৰ লগত পৰিচিত হোৱাৰ লগতে জ্ঞান থকাটো অপৰিহাৰ্য।
৩. সদস্যগৰাকীৰ নূন্যতম আনুষ্ঠানিক শিক্ষা উচ্চতৰ মাধ্যমিক শ্ৰেণী সম্পূৰ্ণ হ'ব লাগিব।
৪. সদস্যগৰাকী নূন্যতম ছমাহ সাধাৰণ পৰিষদৰ সদস্য হিচাপে থকাটো বাধ্যতামূলক।
৫. যিকোনো পৰিস্থিতিত নূন্যতম এগৰাকী সদস্য কোষত থকাটো বাধ্যতামূলক।

## অনুচ্ছেদ নং ১২ : শিক্ষা কোষৰ সদস্য পদৰ চৰ্তসমূহ

১. শিক্ষা কোষৰ সদস্য হ'বৰ বাবে ব্যক্তিগৰাকী পোনপ্ৰথমে সাধাৰণ পৰিষদৰ সদস্য হোৱাটো বাধ্যতামূলক।
২. শৈক্ষিক ক্ষেত্ৰখনৰ লগত পৰিচিত হোৱাৰ লগতে উক্ত ক্ষেত্ৰখনৰ সম্পৰ্কে জ্ঞান থকাটো অপৰিহাৰ্য।
৩. সদস্যগৰাকীৰ নূন্যতম আনুষ্ঠানিক শিক্ষা উচ্চতৰ মাধ্যমিক শ্ৰেণী সম্পূৰ্ণ হ'ব লাগিব।
৪. সদস্যগৰাকী নূন্যতম ছমাহ সাধাৰণ পৰিষদৰ সদস্য হিচাপে থকাটো বাধ্যতামূলক।
৫. যিকোনো পৰিস্থিতিত নূন্যতম এগৰাকী সদস্য কোষত থকাটো বাধ্যতামূলক।

## অনুচ্ছেদ নং ১৩ : বিত্ত কোষৰ সদস্য পদৰ চৰ্তসমূহ

১. বিত্ত কোষৰ সদস্য হ'বৰ বাবে ব্যক্তিগৰাকী পোনপ্ৰথমে সাধাৰণ পৰিষদৰ সদস্য হোৱাটো বাধ্যতামূলক।
২. মঞ্চৰ বিত্তীয় ক্ষেত্ৰখনৰ লগত পৰিচিত হোৱাৰ লগতে উক্ত ক্ষেত্ৰখনৰ সম্পৰ্কে জ্ঞান থকাটো অপৰিহাৰ্য।
৩. সদস্যগৰাকীৰ নূন্যতম আনুষ্ঠানিক শিক্ষা উচ্চতৰ মাধ্যমিক শ্ৰেণী সম্পূৰ্ণ হ'ব লাগিব ।
৪. সদস্যগৰাকী নূন্যতম ছমাহ সাধাৰণ পৰিষদৰ সদস্য হিচাপে থকাটো বাধ্যতামূলক।
৫. যিকোনো পৰিস্থিতিত নূন্যতম এগৰাকী সদস্য কোষত থকাটো বাধ্যতামূলক ।

## অনুচ্ছেদ নং ১৪ : তথ্য আৰু প্ৰচাৰ কোষৰ সদস্য পদৰ চৰ্তসমূহ

১. তথ্য আৰু প্ৰচাৰ কোষৰ সদস্য হ'বৰ বাবে ব্যক্তিগৰাকী পোনপ্ৰথমে সাধাৰণ পৰিষদৰ সদস্য হোৱাটো বাধ্যতামূলক।
২. ইন্টাৰনেটৰ ক্ষেত্ৰখনৰ লগত পৰিচিত হোৱাৰ লগতে জ্ঞান থকাটো অপৰিহাৰ্য।
৩. সদস্যগৰাকীৰ নূন্যতম আনুষ্ঠানিক শিক্ষা উচ্চতৰ মাধ্যমিক শ্ৰেণী সম্পূৰ্ণ হ'ব লাগিব ।
৪. সদস্যগৰাকী নূন্যতম ছমাহ সাধাৰণ পৰিষদৰ সদস্য হিচাপে থকাটো বাধ্যতামূলক।
৫. যিকোনো পৰিস্থিতিত নূন্যতম এগৰাকী সদস্য কোষত থকাটো বাধ্যতামূলক।

## ২৪ নং ধাৰা : পৰিচালনা সমিতিৰ পদৰ চৰ্তসমূহ

### অনুচ্ছেদ নং ১ : পৰিচালনা সমিতিৰ অধ্যক্ষ পদৰ চৰ্তসমূহ

১. অধ্যক্ষ পদত অধিষ্ঠিত হ'বলৈ পোনপ্ৰথমে ব্যক্তি গৰাকী পৰিচালনা সমিতিৰ সদস্য হ'ব লাগিব।
২. নূন্যতম এবছৰ পৰিচালনা সমিতিৰ সদস্য হিচাপে থকাটো বাধ্যতামূলক।
৩. সদস্যগৰাকীৰ বয়স একৈশ বছৰৰ কম হ'ব নোৱাৰিব।
৪. সদস্যগৰাকীৰ আনুষ্ঠানিক শিক্ষা স্নাতক ডিগ্ৰী প্ৰাপ্ত হ'ব লাগিব ।
৫. অসমীয়া শিক্ষা সাহিত্য সংস্কৃতিৰ সম্যক জ্ঞান থকাটো বাধ্যতামূলক।

### অনুচ্ছেদ নং ১ : পৰিচালনা সমিতিৰ সদস্য পদৰ চৰ্তসমূহ

১. পৰিচালনা সমিতিৰ সদস্য পদত অধিষ্ঠিত হ'বলৈ পোনপ্ৰথমে ব্যক্তি গৰাকী কাৰ্যনিৰ্বাহকৰ মূল পদৰ অধিকাৰী হ'ব লাগিব।
২. নূন্যতম তিনিবছৰ কাৰ্যনিৰ্বাহকত থকাটো বাধ্যতামূলক।
৩. সদস্যগৰাকীৰ বয়স একৈশ বছৰৰ কম হ'ব নোৱাৰিব।
৪. সদস্যগৰাকীৰ আনুষ্ঠানিক শিক্ষা স্নাতক ডিগ্ৰী প্ৰাপ্ত হ'ব লাগিব ।
৫. অসমীয়া শিক্ষা সাহিত্য সংস্কৃতিৰ সম্যক জ্ঞান থকাটো বাধ্যতামূলক।

## ২৫ নং ধাৰা : ক্ষমতা

### অনুচ্ছেদ নং ১ : পৰিচালনা সমিতিৰ ক্ষমতা

**১. মঞ্চৰ যিকোনো আভ্যন্তৰীণ বিষয়ৰ সিদ্ধান্ত লোৱাৰ ক্ষমতা একমাত্ৰ পৰিচালনা সমিতিৰ হাতত থাকিব ।**
**২. মঞ্চৰ কাৰ্যনিৰ্বাহক গঠনৰ দ্বায়িত্ব সম্পূৰ্ণৰূপে পৰিচালনা সমিতিয়ে বহন কৰিব ।**
**২.ক) কাৰ্যনিৰ্বাহক গঠনৰ ক্ষেত্ৰত পৰিচালনা সমিতিয়ে চলিত কাৰ্যনিৰ্বাহকৰ সহায় ল'ব পাৰিব ।**
**৩. মঞ্চৰ সংবিধান সংশোধনৰ ক্ষেত্ৰত পৰিচালনা সমিতিৰ অনুমতি বাধ্যতামূলক ।**
**৪. যিকোনো সিদ্ধান্ত গ্ৰহণ কৰোঁতে পৰিচালনা সমিতিৰ অধ্যক্ষ আৰু সৰ্বাধিক সদস্যৰ অনুমতি বাধ্যতামূলক।**

### অনুচ্ছেদ নং ২ : উপদেষ্টামণ্ডলীৰ ক্ষমতা

১. মঞ্চখন সুচাৰুৰূপে পৰিচালনাৰ ক্ষেত্ৰত উপদেষ্টামণ্ডলীৰ কাৰ্যনিৰ্বাহকৰ সমপৰ্যায়ৰ ক্ষমতা থাকিব, কেৱল মঞ্চৰ প্ৰশাসনিক দিশত উপদেষ্টামণ্ডলীয়ে সিদ্ধান্ত লোৱাৰ অধিকাৰ নাথাকিব।

১.ক) বিশেষ পৰিস্থিতিত মঞ্চৰ স্বাভিমান তথা প্ৰশাসনিক দিশত বাধাৰ সৃষ্টি কৰিব পৰা যিকোনো সিদ্ধান্তত হস্তক্ষেপ কৰিব পাৰিব।

২. যিকোনো অনুষ্ঠানৰ পৰামৰ্শৰ লগতে যিকোনো পৰিস্থিতিত কাৰ্যনিৰ্বাহকক প্ৰশ্ন কৰাৰ অধিকাৰ থাকিব।
৩. কাৰ্যনিৰ্বাহকৰ সদস্য সকলৰ সক্ৰিয়তাৰ মূল্যায়ন কৰিব পাৰিব।

৩.ক) কাৰ্যনিৰ্বাহক গঠনৰ তথা সালসলনিৰ ক্ষেত্ৰত সিদ্ধান্ত ল'ব নোৱাৰিব, কেৱল পৰামৰ্শ আগবঢ়াব পাৰিব।

### অনুচ্ছেদ নং ৩ : কাৰ্যনিৰ্বাহকৰ ক্ষমতা

**আলোড়ন মঞ্চৰ পৰিচালনাৰ ক্ষেত্ৰত কাৰ্যনিৰ্বাহকৰ সম্পূৰ্ণ ক্ষমতা থাকিব।**

- **কেৱল আভ্যন্তৰীণ বিষয়সমূহৰ ওপৰত কাৰ্যনিৰ্বাহকৰ কোনো ক্ষমতা নাথাকিব ।**
- **মঞ্চ পৰিচালনাৰ ক্ষেত্ৰত বিশেষ সিদ্ধান্ত সমূহ গ্ৰহণ কৰোঁতে পৰিচালনা সমিতিৰ অনুমতি ল'ব লাগিব ।**

### অনুচ্ছেদ নং ৪ : সাধাৰণ পৰিষদৰ ক্ষমতা

১.মঞ্চৰ সাধাৰণ পৰিষদৰৰ সদস্য সকলে যিকোনো অনুষ্ঠান/কাৰ্যসূচীত সহায় সহযোগিতা কৰিব পাৰিব।

২.মঞ্চৰ যিকোনো অনুষ্ঠান/কাৰ্যসূচীত মতামত প্ৰদান কৰিব পাৰিব।

৩.কাৰ্যনিৰ্বাহকৰ সিদ্ধান্ত ক্ষেত্ৰত সদস্যসকলৰ কোনো অধিকাৰ নাথাকিব।

## ২৬ নং ধাৰা : পৰিচালনা সমিতিৰ পদসমূহৰ ক্ষমতা

### অনুচ্ছেদ নং ১ : অধ্যক্ষগৰাকীৰ ক্ষমতা

১. পৰিচালনা সমিতিৰ অধ্যক্ষগৰাকী মঞ্চৰ আটাইতকৈ অধিক ক্ষমতাসম্পন্ন ব্যক্তি হ'ব ।

২. মঞ্চৰ যিকোনো মূল উদ্দেশ্য নাইবা বিষয়ত অধ্যক্ষগৰাকীৰ অনুমতি বাধ্যতামূলক হ'ব ।

৩. মঞ্চৰ কোনো সাধাৰণ সদস্য আৰু সাধাৰণ পৰিষদৰ সদস্যই সংবিধানত উল্লেখিত অপকৰ্মত লিপ্ত হ'লে অধ্যক্ষগৰাকীয়ে কাৰো অনুমতি নোলোৱাকৈ স্বাধীনভাৱে সদস্যগৰাকীক মঞ্চৰ পৰা বহিষ্কাৰ কৰিব পাৰিব।

### অনুচ্ছেদ নং ২ : পৰিচালনা সমিতিৰ সদস্যসকলৰ ক্ষমতা

১. অধ্যক্ষ গৰাকীৰ পিছতেই মঞ্চৰ অধিক ক্ষমতাসম্পন্ন ব্যক্তি হ'ব ।

২. মঞ্চৰ যিকোনো মূল উদ্দেশ্য নাইবা বিষয়ত অধিকতম সদস্যৰ অনুমতি বাধ্যতামূলক হ'ব ।

৩. অনুচ্ছেদ নং ১ ৰ ৩নং নিয়ম অনুসৰি পৰিচালনা সমিতিৰ সদস্যসকলে অধ্যক্ষ গৰাকীৰ অনুমতি লৈ অপকৰ্মত লিপ্ত হোৱা সদস্যক মঞ্চৰ পৰা বহিষ্কাৰ কৰিব পাৰিব ।

## ২৭ নং ধাৰা : কাৰ্যনিৰ্বাহকৰ পদসমূহৰ ক্ষমতা

### অনুচ্ছেদ নং ১ : মুখ্য উপদেষ্টা

১. মুখ্য উপদেষ্টাগৰাকীয়ে মঞ্চৰ কাৰ্যনিৰ্বাহকৰ মুখ্য পৰামৰ্শদাতা হিচাপে কাৰ্যনিৰ্বাহ কৰিব।

২. অন্যান্য ক্ষমতাসমূহ উপদেষ্টামণ্ডলী সৈতে একেই হ'ব।

### অনুচ্ছেদ নং ২ : সভাপতি

১. মঞ্চৰ কাৰ্যনিৰ্বাহকৰ সভাপতি গৰাকীয়ে কাৰ্যনিৰ্বাহকৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিব।

২. মঞ্চৰ কাৰ্যকৰী দিশটো সম্পূৰ্ণ ৰূপে সভাপতিৰ আওঁতাত থাকিব।

৩. সভাপতিগৰাকী মঞ্চৰ উপদেষ্টামণ্ডলী আৰু কাৰ্যনিৰ্বাহকৰ মাজৰ যোগসূত্ৰ হিচাপে থাকিব।

### অনুচ্ছেদ নং ৩ : সাধাৰণ সম্পাদক

১. কাৰ্যনিৰ্বাহকৰ সাধাৰণ সম্পাদকগৰাকীয়ে মঞ্চৰ বিত্তীয় ব্যৱস্থাৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিব।

২. মঞ্চৰ কাৰ্যকৰী দিশত সভাপতিৰ সহকাৰী হিচাপে থাকিব পাৰিব।

৩. সাধাৰণ সম্পাদক গৰাকী মঞ্চৰ সাধাৰণ পৰিষদ আৰু কাৰ্যনিৰ্বাহকৰ মাজৰ যোগসূত্ৰ হিচাপে থাকিব ।

## অনুচ্ছেদ নং ৪ : উপ - সভাপতি

১. সভাপতিৰ অনুপস্থিতিত উপ - সভাপতি গৰাকীয়ে কাৰ্যনিৰ্বাহকৰ মূৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিব ।
২. সভাপতিৰ অনুপস্থিতিত সভাপতিৰ সমূহ ক্ষমতা উপ - সভাপতি গৰাকীয়ে লাভ কৰিব ।
৩. মঞ্চৰ কাৰ্যকৰী দিশত সভাপতিৰ সহায়ক হিচাপে থাকিব ।

## অনুচ্ছেদ নং ৫ : সহকাৰী সাধাৰণ সম্পাদক

১. সাধাৰণ সম্পাদকৰ অনুপস্থিতিত সহকাৰী সাধাৰণ সম্পাদক গৰাকীয়ে মঞ্চৰ বিত্তীয় ব্যৱস্থাৰ মূৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিব ।
২. সাধাৰণ সম্পাদকৰ অনুপস্থিতিত সাধাৰণ সম্পাদকৰ সমূহ ক্ষমতা সহকাৰী সাধাৰণ সম্পাদক গৰাকীয়ে লাভ কৰিব ।
৩. মঞ্চৰ কাৰ্যকৰী দিশত সাধাৰণ সম্পাদকৰ সহায়ক হিচাপে থাকিব ।

## অনুচ্ছেদ নং ৬ : কোষৰ সম্পাদকসকল

১. কাৰ্যনিৰ্বাহকৰ কোষৰ সম্পাদকসকল সংশ্লিষ্ট কোষৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিব।
২. সম্পাদকগৰাকী কোষৰ প্ৰশাসনিক দিশৰ ক্ষেত্ৰত সভাপতি আৰু বিত্তীয় দিশৰ ক্ষেত্ৰত সাধাৰণ সম্পাদকৰ লগত যোগসূত্ৰ হিচাপে থাকিব।
৩. কোষৰ যিকোনো অনুষ্ঠান/কাৰ্যসূচীৰ প্ৰতিবেদন সভাপতিক দিব লাগিব।

## অনুচ্ছেদ নং ৭ : কাৰ্যনিৰ্বাহকৰ কোষৰ সদস্যসকল

১. কাৰ্যনিৰ্বাহকৰ সংশ্লিষ্ট কোষৰ সদস্যসকলৰ কোষৰ বিভিন্ন পদক্ষেপত মতামতৰ অধিকাৰ থাকিব।
২. কোষৰ সম্পাদকে লোৱা যিকোনো সিদ্ধান্তই যদি কোষৰ উদ্দেশ্য আৰু স্বাভিমানত আঘাত হানিব পাৰে,তেনে সিদ্ধান্তৰ বিৰুদ্ধে সভাপতি তথা সাধাৰণ সম্পাদকক অভিযোগ দিব পাৰিব।
৩. কোষৰ যিকোনো অনুষ্ঠান/কাৰ্যসূচীৰ হিচাপ কোষৰ সম্পাদকৰ পৰা বিচাৰিব পাৰিব।

## অনুচ্ছেদ নং ৮ : কাৰ্যনিৰ্বাহকৰ মূলৰ সদস্যসকল

১. কাৰ্যনিৰ্বাহকৰ মূলৰ সদস্যসকলৰ কাৰ্যনিৰ্বাহকৰ যিকোনো বিষয়ত মতামত দিয়াৰ অধিকাৰ থাকিব।
২. কাৰ্যনিৰ্বাহকৰ যিকোনো সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত সভাপতিয়ে মূলৰ সদস্যসকলৰ লগত আলোচনা কৰিব পাৰিব।

## ২৮ নং ধাৰা : সদস্য পদ বাতিলৰ চৰ্তসমূহ

## অনুচ্ছেদ নং ১ : পৰিচালনা সমিতিৰ সদস্য পদ বাতিলৰ চৰ্তসমূহ

১. সদস্য হিচাপে থাকোতে মঞ্চৰ বিষয়ে অপমানসূচক মন্তব্য, কোনো সদস্যৰ লগত অশালীন ব্যৱহাৰ তথা দুৰ্নীতি আদিৰ দৰে অপকৰ্মত লিপ্ত হ'লে, উচিত তদন্তৰ দ্বাৰা সদস্যগৰাকীক পৰিচালনা সমিতিৰ পৰা বহিস্কাৰ কৰিব পাৰিব।
১.ক) পৰিচালনা সমিতিৰ সদস্য হিচাপে নিৰ্বাচিত হোৱাৰ নূন্যতম এবছৰৰ পিছত কোনো সদস্যৰ পদ বাতিল কৰিব পাৰিব ।

## অনুচ্ছেদ নং ২ : কাৰ্যনিৰ্বাহকৰ সদস্য পদ বাতিলৰ চৰ্তসমূহ

১. কাৰ্যনিৰ্বাহক সদস্য হিচাপে অন্তৰ্ভুক্ত হোৱাৰ পিছত সদস্য গৰাকীয়ে নিজৰ কাৰ্যকালত নূন্যতম ৪০% কাৰ্যনিৰ্বাহক সভাত উপস্থিত থকাটো বাধ্যতামূলক। উক্ত চৰ্তটো অৱজ্ঞা কৰিলে কাৰ্যনিৰ্বাহকে সদস্যগৰাকীৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

১.ক) উক্ত চৰ্তাৱলী মানি নচলাৰ বাবে সদস্যগৰাকীৰ পদ কৰ্তন নহ'ব,কিন্তু আলোচনা মৰ্মে অন্য ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

২. সদস্যগৰাকীয়ে বাৰম্বাৰ নিজৰ দায়িত্ব পালন কৰাত ব্যৰ্থ হ'লে,অথবা নিজৰ দায়িত্বত গাফিলতি কৰিলে,পদ কৰ্তন কৰিব পাৰিব।

২.ক) পদ কৰ্তন কৰাৰ আগত নূন্যতম দুবাৰ সকীয়নি দিয়াটো বাধ্যতামূলক।

৩. সদস্য হিচাপে থাকোতে মঞ্চৰ বিষয়ে অপমানসূচক মন্তব্য,কোনো সদস্যৰ লগত অশালীন ব্যৱহাৰ তথা দুৰ্নীতি আদিৰ দৰে অপকৰ্মত লিপ্ত হ'লে,উচিত তদন্তৰ দ্বাৰা সদস্যগৰাকীক কাৰ্যনিৰ্বাহকৰ পৰা বহিস্কাৰ কৰিব পাৰিব।

৩.ক) বিশেষ পৰিস্থিতিত এনেধৰণৰ অপৰাধমূলক কাম কাজৰ বাবে কেৱল কাৰ্যনিৰ্বাহকৰ পৰাই নহয়,সদস্য গৰাকীক মঞ্চৰ সাধাৰণ পৰিষদৰ সদস্য পদৰ পৰাও বহিস্কাৰ কৰিব পাৰিব।এনে পৰিস্থিতিত দোষী সাব্যস্ত হ'লে সদস্য গৰাকীক সকীয়নিৰ অবিহনেই মঞ্চৰ পৰা অব্যাহতি দিব পাৰিব।

৩.খ) অতি স্পৰ্শকাতৰ পৰিস্থিতিত মঞ্চৰ পৰিচালনা সমিতিয়ে এনেধৰণৰ বিষয়বোৰ সমাধানৰ বাবে আইনী ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

৪. সংবিধানৰ সকলো নিয়ম মানি চলাটো বাধ্যতামূলক।

## অনুচ্ছেদ নং ৩ : উপদেষ্টা মণ্ডলীৰ সদস্য পদ বাতিলৰ চৰ্তসমূহ

উপদেষ্টা মণ্ডলীৰ সদস্যৰ পদ বাতিলৰ চৰ্তসমূহ কাৰ্যনিৰ্বাহকৰ সদস্যৰ পদ বাতিলৰ চৰ্তসমূহৰ সৈতে একেই হ'ব।

## অনুচ্ছেদ নং ৪ : সাধাৰণ পৰিষদৰ সদস্য পদ বাতিলৰ চৰ্তসমূহ

১. সাধাৰণ পৰিষদৰ সদস্য এগৰাকীয়ে মঞ্চৰ সংবিধানৰ নিয়ম সমূহ অমান্য কৰিলে,দুবাৰ সকীয়নি দি পৰৱৰ্তী সময়ত পৰিষদৰ সদস্য পদ কৰ্তন কৰিব পাৰিব।

২. অনুচ্ছেদ নং ১ ৰ ১ নং নিয়মৰ বাদে বাকী সকলো নিয়ম প্ৰযোজ্য হ'ব।

## অনুচ্ছেদ নং ৫ : সাধাৰণ সদস্য পদ বাতিলৰ চৰ্তসমূহ

১. সদস্য হিচাপে থাকোতে মঞ্চৰ বিষয়ে অপমানসূচক মন্তব্য, কোনো সদস্যৰ লগত অশালীন ব্যৱহাৰ তথা দুৰ্নীতি আদিৰ দৰে অপকৰ্মত লিপ্ত হ'লে, উচিত তদন্তৰ দ্বাৰা সদস্যগৰাকীক মঞ্চৰ পৰা বহিস্কাৰ কৰিব পাৰিব।

২ মঞ্চৰ সাধাৰণ সদস্য এগৰাকীয়ে মঞ্চৰ সংবিধানৰ নিয়ম সমূহ অমান্য কৰিলে, দুবাৰ সকীয়নি দি পৰৱৰ্তী সময়ত সাধাৰণ সদস্য পদ কৰ্তন কৰিব পাৰিব ।

# ২৯ নং ধাৰা : সদস্য পদ বাতিলৰ প্ৰক্ৰিয়া

## অনুচ্ছেদ নং ১ : পৰিচালনা সমিতিৰ সদস্য পদ বাতিলৰ প্ৰক্ৰিয়া

১. পৰিচালনা সমিতিৰ সদস্য পদ বাতিলৰ চৰ্তসমূহ প্ৰযোজ্য হ'লে পৰিচালনা সমিতিৰ অধ্যক্ষ গৰাকীয়ে পত্ৰযোগে সদস্য গৰাকীক অব্যাহতি দিব ।

১.ক) কোনো সদস্যক পৰিচালনা সমিতিৰ পৰা অব্যাহতি দিয়াৰ ক্ষেত্ৰত পৰিচালনা সমিতিৰ সমূহ সদস্যৰ অনুমতি বাধ্যতামূলক ।

## অনুচ্ছেদ নং ২ : কাৰ্যনিৰ্বাহক সদস্য পদ বাতিলৰ প্ৰক্ৰিয়া

১. কাৰ্যনিৰ্বাহক সদস্য সমূহৰ পদ বাতিলৰ চৰ্তসমূহ প্ৰযোজ্য হ'লে সভাপতি অথবা সভাপতিৰ অনুমোদন মৰ্মে অন্যান্য কাৰ্যনিৰ্বাহক সদস্যৰ দ্বাৰা বহিস্কাৰ হ'বলগীয়া সদস্য গৰাকীলৈ পত্ৰযোগে অব্যাহতি দিব পাৰিব।

২. কাৰ্যনিৰ্বাহকে নিৰ্ধাৰণ কৰা অতি স্পৰ্শকাতৰ কাৰণসমূহৰ বাদে অন্য সাধাৰণ কাৰণৰ বাবে কাৰ্যনিৰ্বাহকৰ পৰা বহিস্কাৰ হ'লে,এবছৰৰ পিছত বহিস্কৃত সদস্য গৰাকীয়ে পুনৰ কাৰ্যনিৰ্বাহকত অন্তৰ্ভুক্ত হ'বৰ বাবে আবেদন কৰিব পাৰিব।

২.ক) উক্ত নিয়ম প্ৰযোজ্য হ'বৰ কাৰণে কাৰ্যনিৰ্বাহকৰ পৰা বহিস্কৃত সসদস্যগৰাকী নূন্যতম এবছৰ সাধাৰণ পৰিষদৰ সদস্য হিচাপে থকাটো বাধ্যতামূলক।

২.খ) যদি সদস্যগৰাকীক অতি স্পৰ্শকাতৰ বিষয়ৰ বাবে কাৰ্যনিৰ্বাহকৰ লগত সাধাৰণ পৰিষদৰ পৰাও বহিস্কাৰ কৰা হয়,তেন্তে উক্ত নিয়ম প্ৰযোজ্য নহ'ব।

## অনুচ্ছেদ নং ৩ : উপদেষ্টা মণ্ডলীৰ সদস্য পদ বাতিলৰ প্ৰক্ৰিয়া

উপদেষ্টা মণ্ডলীৰ সদস্যৰ পদ বাতিলৰ প্ৰক্ৰিয়া কাৰ্যনিৰ্বাহকৰ সদস্যৰ পদ বাতিলৰ প্ৰক্ৰিয়াৰ সৈতে একেই হ'ব।

## অনুচ্ছেদ নং ৪ : সাধাৰণ পৰিষদৰ সদস্য পদ বাতিলৰ প্ৰক্ৰিয়া

সাধাৰণ পৰিষদৰ সদস্যৰ পদ বাতিলৰ প্ৰক্ৰিয়া কাৰ্যনিৰ্বাহকৰ সদস্যৰ পদ বাতিলৰ প্ৰক্ৰিয়াৰ সৈতে একেই হ'ব।

## অনুচ্ছেদ নং ৫ : সাধাৰণ সদস্য পদ বাতিলৰ প্ৰক্ৰিয়া

মঞ্চৰ সাধাৰণ সদস্য পদ বাতিলৰ চৰ্তসমূহ প্ৰযোজ্য হ'লে পৰিচালনা সমিতি নাইবা কাৰ্যনিৰ্বাহকৰ কোনো সদস্যই সাধাৰণ সদস্যগৰাকীৰ পদ কৰ্তন কৰিব ।

- সাধাৰণ সদস্য পদ বাতিলৰ ক্ষেত্ৰত আনুষ্ঠানিক পত্ৰ প্ৰেৰণ কৰাটো বাধ্যতামূলক নহয় ।

# ৩০ নং ধাৰা : সদস্য পদৰ পৰা অব্যাহতি লোৱাৰ চৰ্তসমূহ

## অনুচ্ছেদ নং ১ : পৰিচালনা সমিতিৰ সদস্য পদৰ পৰা অব্যাহতি

১. পৰিচালনা সমিতিৰ সদস্য পদৰ পৰা অব্যাহতি ল'বলৈ সদস্যগৰাকী নূন্যতম এবছৰ পৰিচালনা সমিতিৰত থকাটো বাঞ্চনীয় ।

২. অব্যাহতিৰ বাবে সদস্যগৰাকীয়ে পৰিচালনা সমিতিৰ অধ্যক্ষলৈ উপযুক্ত কাৰণ সহ পত্ৰ প্ৰেৰণ কৰিব লাগিব ।

২.ক) অধ্যক্ষ গৰাকীৰ অব্যাহতিৰ ক্ষেত্ৰত পৰিচালনা সমিতিৰ সমূহ সদস্যলৈ পত্ৰ প্ৰেৰণ কৰিব লাগিব ।

৩. অব্যাহতি লোৱাৰ এবছৰৰ পিছত সদস্যগৰাকীক পুনৰ পৰিচালনা সমিতিৰ সদস্য হিচাপে নিৰ্বাচিত কৰিব পাৰিব ।

৩.ক) পুনৰ পৰিচালনা সমিতিৰ সদস্য হিচাপে নিৰ্বাচিত কৰিবলৈ সদস্য গৰাকী নূন্যতম এবছৰ কাৰ্যনিৰ্বাহকৰ মূলৰ সদস্য হিচাপে থকাটো বাধ্যতামূলক ।

## অনুচ্ছেদ নং ২ : কাৰ্যনিৰ্বাহকৰ সদস্য পদৰ পৰা অব্যাহতি

১. কাৰ্যনিৰ্বাহকৰ পদৰ পৰা অব্যাহতি ল'বলৈ সদস্যগৰাকীয়ে নূন্যতম চাৰিমাহ কাৰ্যনিৰ্বাহকত থকাটো বাধ্যতামূলক।

২. কাৰ্যনিৰ্বাহকৰ পদৰ পৰা অব্যাহতি ল'বৰ বাবে সদস্যগৰাকীয়ে অব্যাহতি লোৱাৰ কাৰণসহ সভাপতি বা সম্পাদকলৈ পত্ৰ প্ৰেৰণ কৰিব লাগিব।

৩.পত্ৰযোগে কাৰণসমূহ অৱগত কৰি কাৰ্যনিৰ্বাহকৰ পৰা অব্যাহতি ল'লে, সদস্যগৰাকীয়ে পুনৰ ছমাহৰ অন্তত কাৰ্যনিৰ্বাহকৰ সদস্য পদৰ বাবে আবেদন কৰিব পাৰিব। ইয়াৰ বাবে কিন্তু সদস্য গৰাকীয়ে কাৰ্যনিৰ্বাহকৰ পদৰ পৰা অব্যাহতি লোৱাৰ পিছতো সাধাৰণ পৰিষদৰ সদস্য হৈ থকাটো বাধ্যতামূলক।

৩.(ক) কোনো কাৰণ অৱগত নকৰাকৈ কাৰ্যনিৰ্বাহকৰ পদৰ পৰা অব্যাহতি ল'লে সভাপতিয়ে কাৰ্যনিৰ্বাহকৰ লগত আলোচনা মৰ্মে অব্যাহতি লোৱা সদস্য গৰাকীক সাধাৰণ পৰিষদৰ সদস্য পদৰ পৰাও বহিস্কাৰ কৰিব পাৰিব।

## অনুচ্ছেদ নং ৩ : উপদেষ্টামণ্ডলীৰ সদস্য পদৰ পৰা অব্যাহতি

উপদেষ্টামণ্ডলীৰ সদস্য পদৰ পৰা অব্যাহতিৰ নিয়মাৱলী কাৰ্যনিৰ্বাহকৰ সদস্যৰ পদৰ পৰা অব্যাহতিৰ নিয়মাৱলীৰ সৈতে একেই হ'ব।

## অনুচ্ছেদ নং ৪ : সাধাৰণ পৰিষদৰ সদস্য পদৰ পৰা অব্যাহতি

১.যিকোনো এগৰাকী ব্যক্তিয়ে সাধাৰণ পৰিষদ সদস্য হিচাপে অন্তৰ্ভুক্ত হোৱাৰ নূন্যতম এমাহৰ পিছতে সদস্য গৰাকীয়ে মঞ্চৰ সাধাৰণ পৰিষদৰ সদস্য পদৰ পৰা অব্যাহতি ল'ব পাৰিব ।

২.সাধাৰণ সদস্যই অব্যাহতি ল'বৰ বাবে কাৰ্যনিৰ্বাহকলৈ কোনো ধৰণৰ পত্ৰ প্ৰেৰণৰ প্ৰয়োজন নাথাকিব।

৩.সদস্যগৰাকীয়ে নিজে অব্যাহতি লোৱাৰ নূন্যতম দুমাহৰ পিছত পুনৰ সাধাৰণ পৰিষদৰ সদস্য হিচাপে অন্তৰ্ভুক্ত হ'ব পাৰিব৷

৩.(ক) এই ক্ষেত্ৰত সদস্য গৰাকীয়ে প্ৰথমে সাধাৰণ পৰিষদৰ সদস্য পদ এৰাৰ সম্পূৰ্ণ কাৰণসহ কাৰ্যনিৰ্বাহকৰ যিকোনো এগৰাকী সদস্যক জনোৱাটো বাধ্যতামূলক হ'ব। পুনৰ সদস্য পদ লাভৰ বাবে সভাপতিৰ অনুমতি বাধ্যতামূলক।

## অনুচ্ছেদ নং ৫ : সাধাৰণ সদস্য পদৰ পৰা অব্যাহতি

১. সাধাৰণ সদস্য পদৰ পৰা অব্যাহতি ল'বলৈ সদস্যগৰাকীয়ে নূন্যতম তিনিমাহ মঞ্চৰ সাধাৰণ সদস্য হিচাপে থকাটো বাধ্যতামূলক।

২. সাধাৰণ সদস্য পদৰ পৰা অব্যাহতি ল'বৰ বাবে সদস্যগৰাকীয়ে অব্যাহতি লোৱাৰ কাৰণসহ সভাপতি বা সাধাৰণ সম্পাদকলৈ পত্ৰ প্ৰেৰণ কৰিব লাগিব।

৩ পত্ৰযোগে কাৰণসমূহ অৱগত কৰি মঞ্চৰ সাধাৰণ সদস্য পদৰ পৰা অব্যাহতি ল'লে সদস্যগৰাকীয়ে পুনৰ এমাহৰ অন্তত মঞ্চৰ সাধাৰণ সদস্য পদৰ বাবে আবেদন কৰিব পাৰিব ।

৩.ক) কোনো কাৰণ অৱগত নকৰাকৈ মঞ্চৰ সাধাৰণ সদস্য পদৰ পৰা অব্যাহতি ল'লে সদস্যগৰাকীয়ে পুনৰ মঞ্চৰ সাধাৰণ সদস্য পদৰ বাবে আবেদন কৰিব নোৱাৰিব ।

## ৩১ নং ধাৰা : বিত্তীয় অধিনিয়ম

১. আলোড়ন মঞ্চৰ বিত্তীয় ব্যৱস্থাটো সম্পূৰ্ণ ৰূপে সদস্যসকলৰ দান বৰঙণিৰ দ্বাৰা পৰিচালিত হ'ব।

২. চান্দা সংস্কৃতিৰ পৰা বিৰত থাকিব।

২.ক) বিশেষ অনুষ্ঠানৰ বাবে সদস্যসকলৰ পৰা অনুমতি সাপেক্ষে সংগ্ৰহ কৰা মাননী সমূহক চান্দা সংস্কৃতিৰ অন্তৰ্গত বুলি ধৰিব নোৱাৰিব।

৩. মঞ্চখন সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে পৰিচালনা সমিতি আৰু কাৰ্যনিৰ্বাহকৰ সদস্য সকলৰ ক্ষেত্ৰত এটি ক্ষুদ্ৰ মাহেকীয়া মাননী সংগ্ৰহৰ ব্যৱস্থা কৰা হ'ব। এই ক্ষেত্ৰত সকলো পৰিচালনা সমিতি আৰু কাৰ্যনিৰ্বাহক সদস্যৰ মতামত তথা অনুমতি বাধ্যতামূলক।

৪. মাহেকীয়া মাননী নিৰ্ধাৰণ বিত্ত সম্পাদকে সকলো সদস্যৰ লগত আলোচনা মৰ্মে কৰিব।

৪.ক) মাহেকীয়া মাননীৰ পৰিমাণ স্থায়ী নহ'ব, অৰ্থাৎ সময়সাপেক্ষ মাননীৰ পৰিমাণ সলনি কৰিব পৰা যাব।

৫. বিশেষ পৰিস্থিতিত মাহেকীয়া মাননী ব্যৱস্থা উপদেষ্টা মণ্ডলী আৰু সাধাৰণ পৰিষদৰ সদস্যৰ ক্ষেত্ৰতো প্ৰযোজ্য কৰিব পাৰিব।

৫.ক) সাধাৰণ পৰিষদৰ সদস্যৰ মাহেকীয়া মাননীৰ পৰিমাণ পৰিচালনা সমিতি, কাৰ্যনিৰ্বাহক আৰু উপদেষ্টা মণ্ডলীৰ সদস্যৰ পৰিমাণতকৈ কম হ'ব।

৬. বিত্তীয় ব্যৱস্থাৰ নীতি নিয়মসমূহ বিত্ত কোষে সভাপতি আৰু সম্পাদকৰ অনুমোদন ক্ৰমে সাল সলনি কৰিব পাৰিব।

৭. কোনো সদস্যই মাহেকীয়া মাননীৰ হিচাপ বিচাৰিলে বিত্ত কোষে মাননীৰ হিচাপ দিয়াটো বাধ্যতামূলক।

## ৩২ নং ধাৰা : সংবিধান সংশোধন

১. মঞ্চৰ সংবিধানখন সময়সাপেক্ষ তথা বিশেষ পৰিস্থিতিত সংশোধন কৰিব পৰা যাব।

২. সংবিধানখন এটা বছৰত অধিকতম্ দুবাৰ সংশোধন কৰিব পাৰিব।

৩. সংবিধান সংশোধনৰ বিষয়টো সম্পূৰ্ণৰূপে পৰিচালনা সমিতিৰ আওঁতাত থাকিব।

৪. সংবিধান সংশোধনৰ প্ৰয়োজনীয়তা হ'লে কাৰ্যনিৰ্বাহকে উপযুক্ত কাৰণ সহ পৰিচালনা সমিতিলৈ পত্ৰ প্ৰেৰণ কৰিব ।

৫. সংশোধনৰ ক্ষেত্ৰত পৰিচালনা সমিতিৰ অনুমতি বাধ্যতামূলক। কাৰ্যনিৰ্বাহকে সংশোধনৰ সময়ত পৰিচালনা সমিতি আৰু উপদেষ্টামণ্ডলীৰ পৰামৰ্শ গ্ৰহণ কৰিব পাৰিব ।

৫.ক) সংবিধান সংশোধন ক্ষেত্ৰত প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্যৰ মতামতো ল'ব পাৰিব, কিন্তু বাধ্যতামূলক নহ'ব।

৬. সংবিধান সংশোধনৰ ক্ষেত্ৰত যদি সংবিধানৰ পৰা কোনো নিয়মাৱলী সম্পূৰ্ণ ৰূপে কৰ্তন নাইবা কোনো নিয়মাৱলী অন্তৰ্ভুক্ত কৰা হয়,উক্ত সংশোধন পূৰ্ণাংগ সংশোধন আৰু যদি কোনো নিয়মাৱলীৰ কিছু অংশ পৰিৱৰ্তন কৰা হয়,উক্ত সংশোধন আংশিক সংশোধন হিচাপে বিবেচিত হ'ব।

# সংবিধান সংশোধনৰ সবিশেষ

- **প্ৰথম সংশোধন**
  দিনাংক : ২৪ মে’, ২০২৫ (শনিবাৰ)

| ধাৰা | অনুচ্ছেদ | নিয়মাৱলী | সংশোধনৰ প্ৰকাৰ |
|---|---|---|---|
| • ১৮ নং ধাৰা | | • ১.গ) নং নিয়মাৱলী<br>• ১.ঘ) নং নিয়মাৱলী | • অন্তৰ্ভুক্ত<br>• অন্তৰ্ভুক্ত |
| • ৩২ নং ধাৰা | | • ৬ নং নিয়মাৱলী | • পৰিৱৰ্তন |

- **দ্বিতীয় সংশোধন (পূৰ্ণাংগ)**
  দিনাংক : ২৬ জুন, ২০২৫ (বৃহস্পতিবাৰ)

| ধাৰা | অনুচ্ছেদ | নিয়মাৱলী | সংশোধনৰ প্ৰকাৰ |
|---|---|---|---|
| • ১ নং ধাৰা | • অনুচ্ছেদ নং ১ | | • পৰিৱৰ্তন |
| • ২ নং ধাৰা | • অনুচ্ছেদ নং ১<br>• অনুচ্ছেদ নং ২ | | • পৰিৱৰ্তন<br>• পৰিৱৰ্তন |
| • ৩ নং ধাৰা | • অনুচ্ছেদ নং ১<br>• অনুচ্ছেদ নং ২<br>• অনুচ্ছেদ নং ৩ | | • অন্তৰ্ভুক্ত<br>• পৰিৱৰ্তন<br>• অন্তৰ্ভুক্ত |
| • ৬ নং ধাৰা | • অনুচ্ছেদ নং ১ | | • পৰিৱৰ্তন |
| • ৮ নং ধাৰা | | | • অন্তৰ্ভুক্ত |
| • ১০ নং ধাৰা | | | • পৰিৱৰ্তন |
| • ১১ নং ধাৰা | • অনুচ্ছেদ নং ১<br>• অনুচ্ছেদ নং ২<br>• অনুচ্ছেদ নং ৪<br>• অনুচ্ছেদ নং ৫ | | • অন্তৰ্ভুক্ত<br>• পৰিৱৰ্তন<br>• অন্তৰ্ভুক্ত<br>• অন্তৰ্ভুক্ত |
| • ১২ নং ধাৰা | • অনুচ্ছেদ নং ১<br>• অনুচ্ছেদ নং ৫ | | • অন্তৰ্ভুক্ত<br>• অন্তৰ্ভুক্ত |

| ধাৰা | অনুচ্ছেদ | নিয়মাৱলী | সংশোধনৰ প্ৰকাৰ |
|---|---|---|---|
| • ১৪ নং ধাৰা | • অনুচ্ছেদ নং ২ | • ১ নং নিয়মাৱলী | • পৰিৱৰ্তন |
| • ১৫ নং ধাৰা | | | • অন্তৰ্ভুক্ত |
| • ১৭ নং ধাৰা | | • ৩ নং নিয়মাৱলী | • পৰিৱৰ্তন |
| • ১৮ নং ধাৰা | | • ১.ঘ) নং নিয়মাৱলী | • পৰিৱৰ্তন |
| • ১৯ নং ধাৰা | | | • অন্তৰ্ভুক্ত |
| • ২০ নং ধাৰা | | | • অন্তৰ্ভুক্ত |
| • ২১ নং ধাৰা | • অনুচ্ছেদ নং ২<br>• অনুচ্ছেদ নং ৩ | • ৫ নং নিয়মাৱলী | • পৰিৱৰ্তন<br>• পৰিৱৰ্তন |
| • ২২ নং ধাৰা | | | • অন্তৰ্ভুক্ত |
| • ২৩ নং ধাৰা | • অনুচ্ছেদ নং ১<br>• অনুচ্ছেদ নং ২<br>• অনুচ্ছেদ নং ৩<br>• অনুচ্ছেদ নং ৪<br>• অনুচ্ছেদ নং ৫<br>• অনুচ্ছেদ নং ৬<br>• অনুচ্ছেদ নং ৭<br>• অনুচ্ছেদ নং ৮<br>• অনুচ্ছেদ নং ৯<br>• অনুচ্ছেদ নং ১২<br>• অনুচ্ছেদ নং ১৩<br>• অনুচ্ছেদ নং ১৪ | • ৪ নং নিয়মাৱলী<br>• ৪ নং নিয়মাৱলী<br>• ৪ নং নিয়মাৱলী<br>• ৪ নং নিয়মাৱলী<br>• ৪ নং নিয়মাৱলী<br>• ৪ নং নিয়মাৱলী | • পৰিৱৰ্তন<br>• পৰিৱৰ্তন<br>• পৰিৱৰ্তন<br>• পৰিৱৰ্তন<br>• পৰিৱৰ্তন<br>• পৰিৱৰ্তন<br>• পৰিৱৰ্তন<br>• পৰিৱৰ্তন<br>• অন্তৰ্ভুক্ত<br>• পৰিৱৰ্তন<br>• পৰিৱৰ্তন<br>• অন্তৰ্ভুক্ত |
| • ২৪ নং ধাৰা | | | • অন্তৰ্ভুক্ত |
| • ২৫ নং ধাৰা | • অনুচ্ছেদ নং ১<br>• অনুচ্ছেদ নং ৩<br>• অনুচ্ছেদ নং ৪ | | • অন্তৰ্ভুক্ত<br>• পৰিৱৰ্তন<br>• অন্তৰ্ভুক্ত |
| • ২৬ নং ধাৰা | | | • অন্তৰ্ভুক্ত |
| • ২৭ নং ধাৰা | • অনুচ্ছেদ নং ৪<br>• অনুচ্ছেদ নং ৫ | | • অন্তৰ্ভুক্ত<br>• অন্তৰ্ভুক্ত |

| ধাৰা | অনুচ্ছেদ | নিয়মাৱলী | সংশোধনৰ প্ৰকাৰ |
|---|---|---|---|
| • ২৮ নং ধাৰা | • অনুচ্ছেদ নং ১<br>• অনুচ্ছেদ নং ৫ | | • অন্তৰ্ভুক্ত |
| • ২৯ নং ধাৰা | • অনুচ্ছেদ নং ১<br>• অনুচ্ছেদ নং ৫ | | • অন্তৰ্ভুক্ত |
| • ৩০ নং ধাৰা | • অনুচ্ছেদ নং ১<br>• অনুচ্ছেদ নং ৫ | | • অন্তৰ্ভুক্ত |
| • ৩১ নং ধাৰা | | • ৩ নং নিয়মাৱলী<br>• ৪ নং নিয়মাৱলী<br>• ৫ নং নিয়মাৱলী<br>• ৫.ক) নং নিয়মাৱলী<br>• ৬ নং নিয়মাৱলী<br>• ৭ নং নিয়মাৱলী | • পৰিৱৰ্তন<br>• পৰিৱৰ্তন<br>• পৰিৱৰ্তন<br>• পৰিৱৰ্তন<br>• পৰিৱৰ্তন<br>• পৰিৱৰ্তন |
| • ৩২ নং ধাৰা | | • ৩ নং নিয়মাৱলী<br>• ৪ নং নিয়মাৱলী<br>• ৫ নং নিয়মাৱলী | • অন্তৰ্ভুক্ত<br>• অন্তৰ্ভুক্ত<br>• পৰিৱৰ্তন |

## <u>সংবিধান সভাৰ সদস্যসকলৰ স্বাক্ষৰ</u>

১. ____________________

২. ____________________

৩. ____________________

৪. ____________________

৫. ____________________

## <u>উপস্থিত সদস্যৰ স্বাক্ষৰ</u>

১. ____________________

২. ____________________

৩. ____________________

৪. ____________________

৫. ____________________

৬. ____________________

৭. ____________________

৮. ____________________

৯. ____________________

১০. ____________________

১১. ____________________

১২. ____________________

১৩. ____________________

১৪. ____________________

১৫. ____________________

১৬. ____________________

১৭. ____________________

১৮. ____________________

১৯. ____________________

২০. ____________________

২১. ____________________

২২. ____________________

২৩. ____________________

২৪. ____________________

২৫. ____________________

২৬. ____________________

২৭. ____________________

২৮. ____________________

## প্রশাসনিক শাখা, আলোড়ন মঞ্চ

